চান্দমামা

অগাস্ট ১৯৯১



Biku, John, Abik, Salim, All waiting for their birthdays. For their PORSCHE.
Mine was yesterday.
PORSCHE
SAMMO
CHANDAMAMA TOYTRONIX
Mfd. by:
Chandamama Toytronix Pvt. Ltd.
Chandamama Buildings,
188, NSK Salai, Vadapalani,
Madras - 600 026
STP
Remote-Control PORSCHE Toy Car
• For the first time in India
• Indigenously manufactured
• Design from SAMMO of South Korea
FROM THE HOUSE OF CHANDAMAMA

PAINT YOUR OWN DREAMS!

AND WIN A FREE TRIP TO THE USSR!

A special contest for JUNIOR QUEST subscribers!

Hi kids! What's your DREAM WORLD like? Is it a world where stormy seas turn into milk and honey? And dark clouds become beautiful butterflies?

Well, here's your chance to say why friends, animals, flowers, laughter and other beautiful things make this world a great place to live in!

Just make a colourful picture of your own DREAM WORLD. Use paints, colour pencils, crayons or felt pens. (Maximum paper size 20 cm.x 45 cm.) On another paper complete the following : " The world would be a better place if ....". (Less than 50 words, in English only).

Remember, even the most impossible dream could be a winner. And some day, perhaps,it could even come true!

Last date - September 30, 1991

Mail your entries to:
DREAM WORLD CONTEST
C/O Junior Quest, Chandamama Building,
Vadapalani, Madras 600 026.

DREAM WORLD PRIZES

- One free trip to the USSR and back
- 50 Gift cheques of Rs 100 each
- Extra-special JQ T-shirts

DREAM WORLD
C.O.N.T.E.S.T

JUNIOR QUEST
Where finding out is fun

RULES • Contest open to all current Junior Quest subscribers, and to all those who subscribe before September 30, 1991. • All entries must be accompanied by the special Dream World Contest coupon, available in the July, August and September 1991 issues of Junior Quest.Along with your current subscription number or a subscription coupon. • In case of a tie, a lucky draw decides who wins the free trip to the USSR. • The decision of the judges will be final and binding • We will not be responsible for entries lost or damaged. Incomplete entries will be disqualified. • Entries become the property of the Chandamama Vijaya Combines Publications Division, with the right to publish any of the winning entries. • The results will be published in a future issue of Junior Quest. • The winner is responsible for all passport and Reserve Bank formalities.

HTA 7932

চান্দমামা

*

অগাষ্ট ১৯৯১

এই সংখ্যাত আছে

আজিও ধৰ্ম	:	৭	চান্দমামা-ক্রোড়পত্র	:	৩৩
পৃথিৱীৰ খিৰিকীৰে	:	৯	সাৱধান-বাণী	:	৩৭
অবোধৰ বুদ্ধি	:	১১	অবিবেকীৰ দণ্ড	:	৪১
অপূৰ্ব-কাহিনী	:	১৭	বীৰ হনুমান	:	৪৫
অচল-সুচল	:	২৫	আঠুৰা চাই ঠেং	:	৫৩
উপৰি-উত্তৰ	:	৩১	কাঠ-ঘৈণী	:	৬১

*

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

MAGGI CLUBBERS FUN LOVERS
MAGGI CLUB
মেগী ক্লাবে বিনামূল্যে উপহাৰ বিলাইছে, অৰণ্যৰ ৰহস্যই তোমাক হাত বাউল দিছে!
অকণ অকণিহঁত আহা! মেগী ক্লাবত যোগদিয়া আৰু বছৰটো জোৰা ৰং তামাচাত ভাগ লোৱা। নিউজলেটাৰ, উপহাৰ, খেল আৰু অন্যান্য অৰণ্যৰ ৰহস্য ভৰা সমল...
তুমি কেৱল এই 2-minute টো মেগী নুডল্‌ছৰ 5টা খালি পেকেটৰ সমুখৰ ফালৰ পৰা কাটি তোমাৰ নাম আৰু ঠিকনা সহ আৰু তোমাক কোনটো উপহাৰ লাগে তাকো লিখি আমালৈ পঠাই দিয়া। যদিহে তুমি মেগী ক্লাবৰ সদস্য তেনেহলে তোমাৰ সদস্য নম্বৰটোও লিখি পঠাবলৈ নাপাহৰিবা। তুমি যদি এতিয়াও মেগী ক্লাবৰ সদস্য হোৱা নাই তেনে হলে এইটো সুযোগ নেহেৰুৱাবা। ওপৰত উল্লেখ কৰা বিবৰণবোৰ পঠাওঁতেই সদস্যতা কাৰ্ড বিচাৰি লিখিবা। আমি তোমালৈ সদস্যতা কাৰ্ড আৰু উপহাৰটো বিনামূল্যে পঠাম!
আমাৰ ঠিকনাটো :
মেগী ক্লাব,
পোষ্ট বক্স 5788,
নতুন দিল্লী-110055
KING OF THE JUNGLE
মেগী কিং অৱ দা জংগল গেমত অৰণ্য জয় কৰা!
TO LET
মেগী বাৰ্ড হাউছ বনোৱা!
Archie
আৰ্চী কমিক্!
বিনামূল্যে
বিনামূল্যে! মেগী 'ৱৰ্ল্ড অৱ এনিমেল্‌স কুইজ পুস্তিকা
তুমি গোটোৱা প্ৰতি 3টি উপহাৰৰ বাবে আমি তোমালৈ পঠাম বন্যজন্তুৰ বিষয়ে আমোদজনক আৰু ৰহস্যময় যেন লগা কথাৰে ভৰা মেগী 'ৱৰ্ল্ড অৱ এনিমেল্‌স' কুইজ পুস্তিকা – তাকো বিনামূল্যে। প্ৰতিটো খেলতেই বিতং বিবৰণ পাবা।
MAGGI 2-minute noodles
FAST TO COOK! GOOD TO EAT!
Name:
Membership no.
আৰু এটা সুযোগ! যদিহে তুমি লজ অৱ দা জাংগল্ গেম লোৱা নাই তেনেহলে এতিয়া গোটোৱা।
HTA 7105ASS

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি. নাগিৰেড্ডি

আজিও ধৰ্ম

এই বছৰত, আমেৰিকাত এক সমীক্ষাৰ যোগে জনা গৈছে যে মানৱিক মূল্যবোধসমূহৰ মাজত ধৰ্ম হ'ল অগ্ৰগণ্য। মানুহৰ পৰৱৰ্তী অগ্ৰাধিকাৰসমূহৰ মাজত আছে যথাক্ৰমে—স্বাস্থ্য, শিক্ষা আৰু জ্ঞান। সৰ্বশেষতহে ধন-সম্পদৰ স্থান।

আমেৰিকাৰ নিচিনা অতি উন্নত দেশ এখনতো অধিবাসীসকলৰ এনে মূল্যবোধত আচৰিত মানিবলগীয়া বিশেষ একো নাই। ১৭৭৫—৮৩ চনত তেওঁলোকৰ মাতৃভূমিৰ সৈতে বিচ্ছিন্নতাৰ পাছৰেপৰাই আমেৰিকান কলোনিৰ এই অধিবাসীবৃন্দ বিগত দুশ বছৰত তেওঁলোকৰ জাতীয় আৰু ব্যক্তিগত উন্নতিৰ শিখৰ পোৱাশ পাছত ধৰ্ম আৰু ঈশ্বৰলৈ উভতি চোৱাৰ আজৰি পাইছে।

আৰু চৌচল্লিছ বছৰৰ আগতে বিদেশী শক্তিৰ নাগপাশৰপৰা মুক্ত হৈ আমিনো এ্‌িয়া কোনখিনি পাইছোঁহি? এই বিষয়ে আমাৰ ভাৰতৰ ভূতপূৰ্ব প্ৰধান বিচাৰপতি শ্ৰীভাগৱতীযয় সখেদে কৈছে: আমি আমাৰ দেশপ্ৰেম অতি দুঃখপ্ৰদভাবে পৰিহাৰ, মানৱিক মূল্যবোধ তথা ধৰ্মবোধ ভয়াবহ ভাবে বিসৰ্জন দিছোঁ, কেৱল ক্ষমতা আৰু ধন-সম্পদলৈহে আমি চঁড় বলিয়া হৈ উঠিছোঁ। আমাৰ অৱক্ষয় অনিবাৰ্য্য। ধৰ্মলৈ উভতি চোৱা আৱশ্যক।

বছৰ: ১৬   অগাস্ট ১৯৯১   সংখ্যা: ৩

খনে: ৪·০০ টকা : বছৰেকীয়া বৰঙণি: ৪৮·০০ টকা



SUPER CHAMPS
COLLECTION
SCHEME
FREE
স্পৰ্টষ্টাৰ
ষ্টিকাৰ
ছুপাৰ মজা! ছুপাৰ বিস্ময়!
গোটোৱা 24 টা ষ্টিকাৰ। জয় কৰা
চমকপ্ৰদ পুৰস্কাৰ।
আহি পালেহি! নতুন 25 টা হাজমোলা
কেন্ডী থকা "ছুপাৰচেম্পছ" পেক।
ইয়াৰ ভিতৰত পাবা তোমাৰ প্ৰিয়
স্পৰ্টষ্টাৰৰ এটা ষ্টিকাৰ। ইমৰাণ খান।
ইভান লেন্ডল। ষ্টেফি গ্ৰাফ। আৰু
অনেকৰ। আটাইবোৰেই তোমালৈকে
অপেক্ষা কৰি আছে।
মাত্ৰ 5 টা ষ্টিকাৰ গোটোৱা। বাহ! এটা
বঢ়িয়া "ছুপাৰচেম্পছ" এলবাম তোমাৰ
হ'ল। ইয়াৰ উপৰি তুমি বিনামূল্যে
হাজমোলা কেন্ডী ক্লাবৰ সদস্যতাও
পাবা। (বিতং বিৱৰণ প্ৰতিটো
'ছুপাৰচেম্পছ' পেকৰ ভিতৰত পাবা)
খৰখেদা কৰা। তোমাৰ 'ছুপাৰচেম্পছ
সংগ্ৰহ আজিয়েই আৰম্ভ কৰা!
Hajmola®
CANDY
SUPER CHAMPS
SURPRIZE
এলবামটো সম্পূৰ্ণ কৰা
প্ৰথম 1000 জনৰ বাবে।
টেঙা-মিঠা
Hajmola®
CANDY
everest/091/DIL/69 as

মহিলা প্ৰধানমন্ত্ৰী বাংলাদেশতো !

বাংলাদেশতো হ'ল এগৰাকী মহিলা প্ৰধানমন্ত্ৰী! ভাৰত উপমহাদেশস্থ তিনিওখন দেশতে মহিলা প্ৰধানমন্ত্ৰী হ'ল।

বিশ্বৰ সৰ্বপ্ৰথম মহিলা প্ৰধানমন্ত্ৰী আছিল শ্ৰীমতী ছিৰিমাভো বণ্ডাৰনায়কে। তেওঁ ১৯৬০ চনত শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী হৈছিল তেওঁৰ স্বামী প্ৰধানমন্ত্ৰী ডাব্লু. আৰ. ডি. বণ্ডাৰনায়কে নিহত হোৱাৰ অন্তত। তাৰ পাছত ছিৰিমাভোই ১৭ বছৰলৈ প্ৰধানমন্ত্ৰীত্ব কৰিছিল।

১৯৬৬ চনত ভাৰতৰ তৎকালীন প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ যেতিয়া অকস্মাৎ মৃত্যু হ'ল, শ্ৰীমতী ইন্দিৰা গান্ধী তেতিয়া হ'ল ভাৰতৰ প্ৰধানমন্ত্ৰী। তেওঁ দুবাৰ প্ৰধানমন্ত্ৰী হৈছিল।

১৯৮৪ চনত ইন্দিৰা গান্ধী নিহত হোৱাৰ আগলৈকো প্ৰধানমন্ত্ৰী হৈ আছিল, মাজতে এবাৰ পৰাজয়ৰ দুবছৰৰ অন্তত পুনৰ নিৰ্বাচনত বিজয়ী হৈ ইন্দিৰা গান্ধীয়েই পাকিস্তানৰ টান মুঠিৰপৰা স্বাধীন স্বতন্ত্ৰ 'বাংলাদেশ' গঠনত সহায় কৰিছিল।

পাকিস্তানত জুলফিকাৰ আলী ভুট্টো আছিল প্ৰথম প্ৰধানমন্ত্ৰী। তাৰ পাছত— য়াহায়া খান যেতিয়া পাকিস্তানৰ ৰাষ্ট্ৰপতি ইস্তিফা দি দেশৰপৰা পলাল, ভুট্টো পাকিস্তানৰ ৰাষ্ট্ৰপতি হ'ল। কিন্তু পাঁচ বছৰৰ ভিতৰতে তেওঁ পদ এৰিবলৈ বাধ্য হ'ল আৰু তেওঁক অভিযুক্ত কৰি ফাঁচি দিয়া হ'ল।

তাৰ পাছত জুলফিকাৰ আলী ভুট্টোৰ জীয়েক বেনজীৰ ভুট্টো আহিল ৰাজনীতিৰ মঞ্চলৈ, ১৯৮৫ চনৰ সাধাৰণ নিৰ্বাচনত বেনজীৰ পৰিচালিত পাকিস্তান পিপ'লছ পাৰ্টি নিৰ্বাচনত বিজয়ী হ'ল আৰু বেনজীৰ ভুট্টো হ'ল পাকিস্তানৰ মহিলা প্ৰধানমন্ত্ৰী। কিন্তু ১৯৯০ চনৰ নিৰ্বাচনত এই পাৰ্টি পৰাজিত হ'ল।

১৯৭৫ চনত শেখ মুজিব-উৰ-ৰহমান বাংলা-দেশৰ প্ৰধানমন্ত্ৰীৰূপে অধিষ্ঠিত হৈছিল। পট-পৰিবৰ্তিত হৈ হৈ এসময়ত জেনাৰেল এৰশাদে বাংলাদেশৰ ৰাষ্ট্ৰপতি হৈ আঠ বছৰলৈ ক্ষমতা দখল কৰিলে। তাৰ পাছত এসময়ত তেওঁৰ অৱস্থা প্ৰতিকূল হৈ উঠিল আৰু তেওঁ বাধ্যত পৰি ইস্তিফা দি নিৰ্বাচন ঘোষণা কৰিলে। তাৰ আগতে, এৰশাদে আঠ বছৰতো কোনো নিৰ্বাচন অনুষ্ঠিত কৰা নাছিল। যি কি নহওক—এইবাৰৰ নিৰ্বাচনত বাংলাদেশ ন্যাশ্বন্যাল পাৰ্টি বিজয়ী হ'ল আৰু বেগম খালেদা জিয়াৰ নেতৃত্বত বাংলাদেশ চৰকাৰ গঠিত হ'ল।

চুবুৰীয়া দেশ বাৰ্মাতো মহিলা প্ৰধানমন্ত্ৰী হোৱাৰ লা-লক্ষণ ফুটি উঠিছে। কিন্তু তাত এক অ-ভাৱিত পৰিস্থিতিৰ সৃষ্টি হোৱাত বা সৰ্বপ্ৰকাৰৰ নীতি-ৰীতিক বিসৰ্জন দি অভাৱিত তথা অৰুচিকৰ পৰিস্থিতিৰ সৃষ্টি কৰাত বাৰ্মাদেশ তাৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰীৰপৰা বঞ্চিত হৈছে। যোৱা বছৰৰ নিৰ্বাচনত বাৰ্মাৰ অন্যতম নেতা আউংগ ছানৰ পুত্ৰীৰ পাৰ্টিয়ে বিপুল সংখ্যাগৰিষ্ঠতা লাভ কৰিও তাত চৰকাৰ গঠনত বঞ্চিত! কিয়নো বাৰ্মাৰ মিলিটাৰী শাসকজনে পৰাজিত হোৱা সত্ত্বেও ক্ষমতাৰ বাঘজৰী এৰি দিয়া নাই!



অবোধৰ বুদ্ধি

বহু দিনৰ আগতে উধাৰপুৰ নামৰ গাঁৱতে সদাচাৰী নামৰ এজন সুতৰ মহাজন আছিল। ৰামকৈলাশ নামৰ মানুহ এজনে এই সুতখোৰ মহাজন সদাচাৰীৰপৰা টকা এহেজাৰ ধাৰলৈ লৈছিল প্ৰায় এবছৰেই হ'ল। তাৰ পাছত, এবছৰৰ অন্তত ৰামকৈলাশে সদাচাৰীক যেতিয়া সুতে-মূলে টকাখিনি দিবলৈ গ'ল, তেতিয়া সদাচাৰীয়ে সুতে-মূলে টকা ডেৰহেজাৰ ল'বলৈ অস্বীকাৰ কৰিলে আৰু ক'লে, "তুমি কেৱল সুতৰ টকাখিনিকেই দিয়া, মূল টকা নলওঁ মই।"

কি! উধাৰৰ টকা দিলেও নল'ব! কিয়? কিয়?

সদাচাৰীৰ কথা হ'ল—বছৰেকত পাঁচশকৈ টকা সুত হিচাপে দিয়াৰ কৰাৰ কৰিহে ৰামকৈলাশে টকা ধাৰলৈ লৈছিল। টকাৰ মূল ঘূৰাই লোৱাৰ কথা কৰাৰত নাই।

এই কথাৰ মীমাংসাৰ বাবে যদি কৈলাশে এই কৰাৰ এতিয়া নামানে, বিচাৰকৰ ওচৰলৈ যাব সদাচাৰীয়ে, বিচাৰকে যি কয় সেয়ে হ'ব।

তেতিয়া দুয়ো বিচাৰকৰ ওচৰলৈ গ'ল। সদাচাৰীৰপৰা গোচৰ পাই বিচাৰকে সদাচাৰীৰ কৰাৰনামাখন অৰ্থাৎ চুক্তিপত্ৰখন পঢ়ি পৰীক্ষা কৰি ৰায় দিলে, "এই কৰাৰত এই কথা লেখা আছে যে—ৰামকৈলাশ নামৰ মানুহ এজনে সুত-ব্যৱসায়ী শ্ৰীসদাচাৰীৰপৰা বছৰেকত পাঁচশকৈ টকা সুত হিচাপে দিয়াৰ কৰাৰত দহ হেজাৰ টকা ধাৰলৈ লৈছে। এতেকতে—বছৰেকত পাঁচশকৈ টকা সুত প্ৰদান

কীৰ্তি আগৰৱালা

কৰাত ৰামকৈলাশ বাধ্য। যদি প্ৰতি বছৰ পাঁচশকৈ টকাকৈ সুত উক্ত ৰামকৈলাশে সদাচাৰীক নিদিয়া হয়, তেনেহ'লে অতি অৰশ্যেই ৰামকৈলাশে ফাটক খাব লাগিব।"

বাধ্যত পৰি ৰামকৈলাশে সদাচাৰীক পাঁচশ টকা সুত হিচাপে ভৰিলে।

সুতখোৰ সদাচাৰী গুচি যোৱাৰ পাছত উচুপি থকা কৈলাশক সান্ত্বনা দি বিচাৰকে ক'লে, "সদাচাৰী যে অসতৰো অসৎ, সেই কথাত মোৰ সন্দেহ নাই। কিন্তু আইনৰ কথা ময়ো নামানি নোৱাৰোঁ। আইনে কাকো নেৰে। যি কি নহওক, আগলৈ এনেবোৰ অসৎ মানুহবিলাকৰ সম্পৰ্কে সাৱধান হৈ থাকিবা। এতিয়া — মই তোমাকে সদাচাৰীৰ কবলৰপৰা উদ্ধাৰ পোৱাৰ উপায় কৈ দিওঁ, মোৰ কথা মতে কাম কৰা যদি—এতিয়া তাক যি দিলা দিলা—ভৱিষ্যতত আৰু এটা এপইচীয়াও তাক দিব নালাগে।"

ৰমকৈলাশে বিচাৰকৰ ভৰিত ধৰি কান্দি কান্দি ক'লে, "হুজুৰ, মই আগলৈ নিশ্চয় সাৱধান হ'ম, কিন্তু এইবাৰলৈ দয়া কৰি মোক বচাওক হুজুৰ!"

"শুনা, তোমাৰ ৰামকৈলাশ নামটো তুমি সলাই পেলোৱা। মই তোমাক এখন একৰাৰনামা বা চুক্তি-কাকত দিম, তাত তুমি তোমাৰ নাম — ৰামবিলাস বুলি ঘোষণা কৰিবা। বছ, হৈ যাব। তুমিও আৰু ৰামকৈলাশ হৈ নাথাকিবা, আৰু সুতখোৰ সদাচাৰীক সুতও ভৰিব নালাগিব।

এবছৰৰ অন্তত সদাচাৰীয়ে তাৰ টকাৰ সুত উচুল কৰিবলৈ ৰামকৈলাশক লগ ধৰাত ৰামকৈলাশে সদাচাৰীক ক'লে, "তুমি সুত পাবা ৰামকৈলাশৰ ওচৰত—তাক কোৱাগৈ। মই হ'লোঁ ৰামবিলাস।" ৰামকৈলাশে তাৰ সেই একৰাৰনামাখন সদাচাৰীৰ মাকৰ নাকৰ আগত দাঙি ধৰি

দেখুৱাই ক'লে।

সদাচাৰীয়ে মনত ঠাৱৰ কৰিলে যে—সেই বংশছেদ হোৱা বিচাৰকেই এই দৰে এই আইনৰ আলু তুলি তাৰ আশা ছেদ কৰিলে।

কিছুদিনৰ অন্তৰ ক'ৰবাৰপৰা কোনবা এজন বিৰাট ধনিক লোক ৰামকৈলাশক বিচাৰি আহিল আৰু ৰামকৈলাশক ক'লে, "এইটো ঘৰৰ গৰাকী ৰামকৈলাশ ডাঙৰীয়াক একলাখ টকা দিয়াৰ বাবে মই বহু দূৰৰপৰা আহিছোঁ। এসময়ত তেওঁ মোৰ দেউতাক ভয়ংকৰ দুৰ্ঘটনাৰপৰা—ক'বলৈ গ'লে মৃত্যুৰ গৰাহৰপৰা ৰক্ষা কৰিছিল, আৰু দেউতাই এই সামান্য টকা তেওঁক অৰ্থাৎ ৰামকৈলাশ ডাঙৰীয়াক মাননী হিচাপে দিবলৈ অংগীকাৰ কৰিছিল। এতিয়া, মই মোৰ স্বৰ্গী দেউতাৰ হৈ এই সামন্য ধন ৰামকৈলাশ ডাঙৰীয়াক দিম বুলি ৰামকৈলাশ ডাঙৰীয়াক বিচাৰি এইখন গাঁৱলৈ আহিছোঁ।"

এই কথা শুনি ৰামকৈলাশে অপাৰ আনন্দ পালে আৰু ক'লে যে সিয়েই হ'ল ৰামকৈলাশ।

"কিন্তু—আপুনিয়েই যে ৰামকৈলাশ—এই গাঁৱৰ বয়সস্থ মান্য-গণ্য কোনোবাজনে ক'লেহে মই মানিম আৰু দিব পাৰিম এই টকাখিনি।" আগন্তুকে ক'লে।



এই গাঁৱৰ মান্য গণ্যসকলৰ মাজত সেই সদাচাৰীয়েই আছিল প্ৰধান। গতিকে — ৰামকৈলাশ আৰু আগন্তুক সদাচাৰীৰ কায চাপিল।

সদাচাৰীয়ে ৰামকৈলাশক ক'লে, "তুমি তো আইনমতে তোমাৰ নাম সলনি কৰিলা। এতিয়া যদি পুনৰ আগৰ নামকে লোৱা, আগৰ কৰ্জায়ো তোমাক নেৰিব নহয়?"

ৰামকৈলাশে চিন্তা কৰি চালে যে—যদি এক লাখ টকা পায়, তাৰপৰা সদাচাৰীৰ সুত বিছ বছৰ ধৰি দিবলগা



হ'লেও তাৰ লাভেই লাভ। গতিকে—ৰামকৈলাশে সদাচাৰীয়ে লিখা কাকত এখনত পুনৰ তাৰ আগৰ নামতে চহী কৰিলে।

আৰু লগে লগে সদাচাৰীয়ে তাক গৰা মাৰি ধৰি এই কেই বছৰৰ সুত একেলগে বিচাৰিলে। কোৱা বাহুল্য-তিমানতে সেই পিতৃঋণ পৰিশোধ কৰিবলৈ আহা মানুহজনো নিফুট মাৰিলে। একলাখ দূৰৰে কথা ৰামকৈলাশে এপইচীয়া এটাও তাৰ-পৰা নাপালে।

ৰামকৈলাশ পুনৰ বিচাৰকৰ কাষ চাপিল আৰু এই ঘটনাৰ কথা তেওঁক ভাঙি-পাতি কোৱা হ'ল। ইতিমধ্যে সদাচাৰীও বিচাৰকৰ আগত উপস্থিত হ'লহি। বিচাৰকে সদাচাৰীৰ চুক্তিপত্ৰ পৰীক্ষা কৰাৰ অন্তত ৰামকৈলাশক ফাটকত আটক কৰি থোৱাৰ দণ্ড বিহিলে।

তেতিয়া সদাচাৰী পোনে শোনেই ৰামকৈলাশৰ ঘৰলৈ গ'ল আৰু সি ৰামকৈলাশৰ পৰিবাৰক ৰামকৈলাশৰ ফাটকত আটক হৈ থকাৰ কথা বিবৰি কোৱাৰ অন্তত ক'লে, "তোমালোকৰ ঘৰ বা খেতি-মাটি বেচি বা বন্ধকত থৈ হ'লেও মোৰ প্ৰাপ্য বছৰেকীয়া সুত দিয়াৰ চৰ্তত চুক্তিপত্ৰ কৰা, নহ'লে কিন্তু ৰামকৈলাশ আৰু জীৱনতো ফাটকৰপৰা একোপধ্যেই ওলাই আহিব নোৱাৰিব।"

ৰামকৈলাশৰ পৰিবাৰে অলপো বিচলিত নহৈ ক'লে, "তেওঁ ফাটকত নাথাকি ঘৰত থাকিলেওবা আমাৰ কি? তেওঁ সদায় অ'ত-ত'ত কৰ্জা ল'ব আৰু আমাক বিপ্পাঙত পেলাব। তাতকৈ থাকক ফাটকত আটক হৈ।" ৰামকৈলাশৰ পৰিবাৰে সদাচাৰীক খাচাংখাচ কৈ দিলে।

কিন্তু সাত দিনৰ অন্তত ৰামকৈলাশ ফাটকৰপৰা ওলাই আহিল। দেশৰ ৰজাৰ ভাটি বয়সত পুত্ৰলাভ হোৱাত, অন্যান্য আনন্দৰ লগতে, ৰজাই দেশৰ কাৰাগাৰত



আটক হৈ থকা সকলুৰা অপৰাধীবোৰক এৰি দিবলৈ আদেশ দিয়াত অন্যান্যৰ লগত ৰামকৈলাশকো মুক্তি দিয়া হৈছিল।

সদাচাৰীয়ে অলপো সময় নষ্ট নকৰাকৈ ৰামকৈলাশক ক'লেহি, "তুমি ফাটকৰপৰা ৰেহাই পোৱাত মই অত্যন্ত ভাল পাইছোঁ। যেইকি নহওক — এতিয়া মোৰ সুতৰ টকাখিনি দিয়া জানাই।"

"তোমাৰ সুতৰ টকা নিদিয়াতহে মই ফাটক খাইছিলোঁ। গতিকে— মুক্তিৰ লগে লগে তোমাৰ সুতৰো মুদা মৰিল।" ৰামকৈলাশে সদাচাৰীক ক'লে।

কিছু দিনৰ অন্তত সদাচাৰীয়ে তাৰ সুতৰ টকা ৰামকৈলাশপৰা উচুল কৰিবলৈ নতুন ফন্দী পাঙিলে। তাৰ পৰামৰ্শমতে —এজন চাদাচিদা মানুহ ৰামকৈলাশৰ কাষ চাপিল আৰু তাক চিঠি এখন দেখুৱালে। চিঠিখনত লিখা আছিল যে এইজন মানুহ অতি বিশ্বাসী মানুহ, এওঁক কোনোবাই কামত মকৰল কৰে যদি মই ভাল পাম।

"হুজুৰ! আপুনি দয়া নকৰিলে নিগমে মৰিলোঁ। আমি পা-পৰিয়ালে নেখাই মৰিম হুজুৰ। দেশৰ বিচাৰক পৰ্‌ভু আপোনাৰ বন্ধু। দয়া কৰি আপুনি চহী কৰি দিয়ক আৰু পাঁচটা প্ৰাণীৰ প্ৰাণ বচাওক, হুজুৰ!"

এনেকৈ কাবৌ-কাকুতি কৰাত চিঠিখনৰ বয়ান দেখি নিঃচিন্ত মনেৰে ৰামকৈলাশে চহী এটা মাৰি দিলে। কিন্তু— মানুহজনে তেতিয়া ৰামকৈলাশৰ চহীটোৰ বাদে বাদবাকী লিখাখিনি তৎক্ষণাৎ মচি পেলালে আৰু তাৰ সলনি লিখিলে যে ৰামকৈলাশে বিছহেজাৰ টকা ধাৰলৈ লৈছে আৰু বছৰেকত এহেজাৰ টকাকৈ সুত হিচাপে দিবলৈকো অংগীকাৰ কৰিছে।

এই চুক্তিপত্ৰখন লৈ সদাচাৰী তৎমুহূৰ্ততে বিচাৰকক বিচাৰি গ'ল।

বিচাৰকে এইখন পঢ়াৰ অন্তত

সদাচাৰীক ক'ল যে — ৰামকৈলাশক মতাই অনাই সোধ-পোছ কৰি তেওঁ পুনৰ সদাচাৰীলৈ খবৰ পঠাব।

সদাচাৰী গুচি যোৱাৰ অন্তত ৰামকৈলাশ আহিল বিচাৰকৰপৰা এতলাপাই। কিয় পুনৰ এনেকুৱা অসাৱধানী কাম কৰিলে—বিচাৰকৰ প্ৰশ্নৰ উত্তৰত কৈলাশে বিচাৰকক ক'লে, "হুজুৰ মেহেৰবান! মোক আপুনি আৰু ৰক্ষা নকৰিলেও নাই। কিন্তু এটা কথা মই কওঁনে হুজুৰ? খং কৰিলেও কৰিব, মাৰিলেও মাৰিব, ৰাখিলেও ৰাখিব। তথপি ক'ৰেঁই হুজুৰ! মোৰ প্ৰশ্ন হ'ল—আমাৰ দৰে অবোধক ৰক্ষা কৰিব লাগেনে অপৰাধীকে অপৰাধ নকৰিবপৰাকৈ ব্যৱস্থা কৰিব লাগে? কোন ব্যৱস্থা ভাল হুজুৰ?"

"এই দুটাৰ মাজত প্ৰভেদ কি?" বিচাৰকে বিৰক্তিৰে সুধিলে।

"বহুত প্ৰভেদ, হুজুৰ। সদাচাৰীহঁতে অপৰাধ কৰিব নোৱাৰিলে আমাৰ দৰে অবোধেএনেয়েই ৰক্ষা পৰিব পাৰোঁ হুজুৰ। অপৰাধীবোৰে যাতে ইমান সহজভাৱে অপৰাধ কৰিব নাপায়—তাৰ বাবে ব্যৱস্থা লোৱাৰ বুদ্ধি আপোনালোকেও কৰিব নোৱাৰে যদি এই অসদাচাৰী সদাচাৰীহঁতক আপোনালোকতকৈও বুদ্ধিমান বুলি ক'ব লাগিব দেখোন! আৰু আপোনালোকেই যদি ইহঁতৰ লগত বুদ্ধিৰে নোৱাৰে—আমিবোৰনো কোন কুটা?" ৰামকৈলাশে বিচাৰকৰ ৰগত ধৰি কৈ দিলে।

তেতিয়াহে বিচাৰকে নিজৰ দুৰ্বলতা তথা ত্ৰুটিৰ কথা বুজি প্যলে আৰু ৰামকৈলাশ নামৰ অবোধৰ বুদ্ধি তথা যুক্তিকে মানি লৈ—ঋণপত্ৰৰ কৰাৰনামা একমাত্ৰ আদালততহে কৰা হ'ব বুলি আদেশ জাৰী কৰি সুতখোৰ মহাজনহঁতৰ গৰাহৰপৰা অসহায় ঋণগ্ৰস্তহঁতক ৰক্ষা কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিলে।



অপূৰ্ব-কাহিনী

৪

[আগৰ কথা ঃ অগ্নি-বালক অপূৰ্বৰ পৰামৰ্শ মতে সমীৰে বিষাক্ত মদ পান কৰি বেহুঁচ হৈ থকা ডকাইতবিলাকক ৰাজপ্ৰহৰীইঁতৰ হাতত পেলাই দিলে। দেশৰ ৰজাই ডকাইতবিলাকক মৃত্যুদণ্ডেৰে দণ্ডিত কৰিলে ; কিন্তু অপূৰ্বই সমীৰক ৰজাৰ ওচৰলৈ পঠালে—ঈশ্বৰৰ নামত ডকাইতবিলাকৰ প্ৰাণভিক্ষাৰ বাবে ৰাজানুগ্ৰহ প্ৰাৰ্থনা কৰি। ডকাইতৰ বাবে প্ৰাণভিক্ষাৰ আবেদন শুনি ৰজাই বিদ্ৰূপাত্মক ভাবেৰে সমীৰক ক'লে যে—ঈশ্বৰে যদি পাৰে—তেনেহ'লে তেৱেঁই ডকাইতবিলাকক ফাঁচিৰ জৰীৰপৰা ৰক্ষা কৰে যেন। আৰু তাৰ পাছত······]

কাৰাগাৰৰ অন্ধকাৰত সৰুতকৈয়ো সৰু কুঠৰী এটাত ডকাইতবিলাক মৃত্যুৰ ক্ষণ গণি বহি আছিল। চৰ্দাৰ ভৈৰৱমলক তাতোকৈ সৰু আৰু তাতকৈ ঘন অন্ধকাৰময়—অত্যন্ত চেপা কুঠৰী এটাত বেলেগে ভৰাই থোৱা হৈছিল।

এটা ডকাইতে আনবিলাকক হতাশ কণ্ঠেৰে সুধিলে, "আমাৰ জীৱন সঁচাকৈয়েই কোনোবাই কিবা ধৰণে ৰক্ষা কৰিব পাৰিব বুলি তোমালোকে বিশ্বাস কৰানে ?"

"ঈশ্বৰে মোৰ বুলিলে কথা আন, নহ'লে উপায় দেখা নাই।" অন্য এটা ডকাইতে কন্দনামুৱা হৈ ক'লে।

শুনি চৰ্দাৰ ভৈৰৱমল গুজৰি উঠিল, "তহঁত যদি ইমানেই ভয়াতুৰ, ডকাইতি কৰিবলৈ মোৰ লগ লৈছিলিহি কিয় ?"



লুট কৰা নাইনে ? আমাক ভয়-পাতুৰা হৈ লোকচক্ষুৰপৰা লুকাই ফুৰিবলৈ কোনেনো শিকাইছিত ? তুমি ! তুমি !"

এইবোৰ কথাৰ উত্তৰত ভৈৰৱমলে একো ক'ব নোৱাৰি তলমূৰ হৈ বহি থাকিল।

ঠিক তেতিয়াই সেই মধুৰ কণ্ঠ পুনৰ শুনা গ'ল, "কিয় তোমালোকে সৰু ল'ৰাৰ দৰে নিজৰ মাজতে কন্দল কৰিছা ? আৰু —তোমালোকে তোমালোকৰ সৰ্বদোষ-সৰ্বপাপ কিয় ভৈৰৱমলৰ ওপৰতে জাপি দিছা ? নিজক নিৰ্দোষ বুলি ভাবি আত্ম-বঞ্চনা কৰাত লাভ নাই। নিজ নিজ অপৰাধৰ দায়িত্ব প্ৰত্যেকেই ল'ব লাগিব।"

ভৈৰৱমলে অবেগকম্পিত কণ্ঠেৰে ক'লে "হে ভগৱান। তুমি সঁচাসঁচিকৈয়েই আমাক ৰক্ষা কৰিব পাৰিবানে ফাঁচিৰ জৰীৰপৰা ?"

"তোমালোকে ঈশ্বৰৰ ওচৰলৈ প্ৰাৰ্থনা কৰা। তেওঁ যি কৰিব—মংগলৰ কাৰণেই কৰিব। ঈশ্বৰ মংগলময়।" অপূৰ্বই ক'লে।

"ভয়াতুৰ ! ভয়াতুৰ !" ডকাইতবিলাকে চিঞৰি চিঞৰি ভৈৰৱমলক ক'লে, "আমি ভয়াতুৰ নহৈনো কি ? তুমিও সেই একেই। আমাক ভয়াতুৰ বুলি কৈ ইতিকিং কৰি তুমি তোমাৰ কটা কাণ চুলিৰে ঢাকিব নোৱাৰিবা। —অসহায় বাটৰুৱাক লুট-পাত, সৰু সৰু ল'ৰা-ছোৱালীহঁতক অপহৰণ, দুৰ্বল-নিসহায় মানুহৰ সৰ্বস্ব কাঢ়ি লৈ যোৱা—এইবোৰ বৰ সাহিয়াল মানুহৰ কামনে ? তুমিও এই একেইবোৰ কামকে কৰা নাছিলানে ? মূৰৰ ঘাম ভৰিত পেলাই সমগ্ৰ জীৱনকাল ধৰি অৰ্জা ধন—আমি, আৰু আমাৰ লগত তুমিও

*

আজি সমগ্ৰ ৰাজধানী জুৰি যেনিবা এক উৎসৱৰ দিন। বাটৰ দুয়ো কাষে মানুহৰ দলদোপ-হেন্দোলদোপ. সকলোতে হৈ-চৈ। আজি দুৰ্দ্ধৰ্ষ ডকাইতবিলাকক ফাঁচি দিয়া হ'ব। এই বাটেদিয়েই

ডকাইতবিলাকক বধ্যভূমিলৈ লৈ যোৱা হ'ব। সেইহে মানুহ-মুনিহৰ ইমান দোপনি। ডকাইত চাবলৈ উন্মুখ।

বধ্যভূমিতো মানুহৰ ভিৰ। তাত তিলধাৰণৰো ঠাই নাই।

হঠাৎ 'আহিল! আহিল!' ৰব উঠিল। দেখা গ'ল—এটা তজবজীয়া ঘোঁৰাৰ পিঠিত উঠি ৰাজ্যৰ বৰ কতোৱাল আগে আগে কদমত আহিছে, আৰু তাৰ পিছে পিছে লো-ৰ শিকলিৰে হাত বন্ধা হৈ থকা অৱস্থাত চিপাহী-পৰিবৃত হৈ ডকাইত-বিলাকো তলমূৰ হৈ আহিব ধৰিছে।



বাটৰ দাঁতিত থিয় হৈ থকা মানুহৰ জুমৰ মাজৰপৰা হঠাৎ এজনী তিৰোতাই তেওঁৰ সমুখেদি গৈ থকা ডকাইতবিলাকক উদ্দেশি ক'লে, "তহঁতলৈ থু! থুৱাও তহঁতলৈ। তহঁতে মোৰ মৰদক অকলশৰে বাটত পাই সৰ্বস্ব কাঢ়ি লোৱাৰ পাছতো ডেগাৰেৰে কোবাই মাৰি পেলাইছিলি!" এই বুলি কৈয়েই তিৰোতাজনীয়ে ভৈৰব-মলৰ গালত চৰ এপাত শোধালে। আৰু তেতিয়া অন্যান্য মানুহেও বন্দী ডকাইত-বিলাকৰ পিঠিত ঔ পাৰিবলৈ ধৰিলে।

অৱস্থা বিষম যেন পাই কতোৱাল ঘূৰিল, আৰু সেই ঠাইলৈ আহি ৰাইজক উদ্দেশি কৈ থাকিল, "এই কথাত মোৰো সন্দেহ নাই যে—তোমালোকৰ এই ক্ৰোধ ন্যায়সংগত ক্ৰোধ। কিন্তু—দেশৰ ৰজাই যিস্থলত ইহঁতক চূড়ান্ত দণ্ড দিলেই, তাতকৈ অধিক অত্যাচাৰ কৰাৰ অধিকাৰ কিন্তু আমাৰ নাই—এই খাচ্ কথাটো ৰাইজক মই সোঁৱৰাই দিছোঁ!"

তেতিয়া—কি হ'ল কোৱা নাযায়—দুৰ্দ্ধৰ্ষ ভৈৰৱমলৰ চুচকুৰপৰা লোতক বৈ আহিল, আৰু দুৰ্দান্ত ভৈৰৱমলে হাত যোৰ কৰি কৈ থাকিল, "ভাইসকল! মই দুৰ্ঘোৰ পাপী—সেই কথাত মোৰ নিজৰো সংশয় নাই। তথাপি, মৃত্যুৰ আগতে মই পৱিত্ৰ চিতেৰে আপনালোকৰপৰা ক্ষমা

বন্দৰস্ত ঠিকেঠাকে কৰা হৈছেনে ?"

"হয় হুজুৰ, সকলো বন্দৰস্ত ঠিকেঠাকে কৰা হ'ল।" ফাঁচিয়ালে ক'লে।

"পহিলতে ডকাইতবিলাকৰ চৰ্দাৰ ভৈৰৱমলকে ফাঁচি দিবা। পাছত আনবিলাকক ওলমোৱা হ'ব।" কতোৱালে ঘোষণা কৰিলে।

দুটা চিপাহীয়ে চৰ্দাৰ ভৈৰৱমলক ফাঁচিকাঠত থিয় কৰালে।

"ভৈৰৱ, তোমাৰ অন্তিম প্ৰাৰ্থনা যদি কিবা আছে, কোৱা।" কতোৱালে ক'লে।

ভৈৰৱমলে হাত যুৰি ক'লে, "মই— মোৰদ্বাৰা—যিসকল মানুহ অত্যাচাৰিত—ক্ষতিগ্ৰস্ত হৈছে, অন্তিমকালত তেওঁলোকৰ-পৰা মই ক্ষমাপ্ৰাৰ্থনা কৰিছোঁ! তেওঁ-লোকে মোক আৰু মোৰ পুত্ৰসম অনুচৰ-হঁতকো মনে-চিতে ক্ষমা কৰে যেন—এয়ে মোৰ অন্তিম প্ৰাৰ্থনা!" ভৈৰৱমলৰ দুচকুৰপৰা দুটোপাল অশ্ৰু বাগৰি আহিল।

কতোৱালে ফাঁচিয়ালক ক'লে, "মই এক-ৰপৰা দহলৈকে গণি কৰিম। যেতিয়া 'দহ' বুলি ক'ম, সেই মুহূৰ্ত্ততে এই ভৈৰৱমলক তুমি ফাঁচি দিবা।"

ফাঁচিয়ালে শিলৰ মূৰ্ত্তিৰ দৰে ফাঁচিৰ জৰীৰ এমূৰত ধৰি থিয় হৈ থাকিল।

কতোৱালে যেতিয়া 'আঠ' বুলি ক'লে

ভিক্ষা কৰিছোঁ।"

কতোৱালে ভৈৰৱমললৈ চাই কৈ উঠিল, "এতিয়াহে তোমালোকে পস্তাইছা—যেতিয়া শিতানত মৰণে বৈ আছে! এতিয়া আৰু সেইবোৰ কৈ লাভ কি? যিজন গাঁৱৰ ল'ৰা সমীৰক বলি দিবা বুলি ধৰি লৈ গৈছিলা, তোমালোকক ফাঁচিৰ জৰীৰপৰা ৰক্ষা কৰিবলৈ আমাৰ মহাৰাজক কিমান যে তোমালোকৰ হৈ একোপধ্যে খাটিলে! কিন্তু মহাৰাজ মান্তি নহ'ল।"

তাৰ পাছত ডকাইতবিলাকক বধ্য-ভূমিলৈ লৈ যোৱা হ'ল, কতোৱালে ফাঁচিয়ালক (চাউডাং) সুধিলে, "সকলো

তেতিয়া জৰীডাল অলপ কঁপি উঠিল।

"দহ"!

কতোৱালে উচ্চাৰণ কৰাৰ লগে লগে ফাঁচিয়ালে ফাঁচিৰ জৰীডাল জোৰেৰে টানি দিলে। কিন্তু — কিন্তু কি হ'ল! ভৈৰৱমলৰ দেহ লগে লগে ওলমি পৰিব লাগিছিল; কিন্তু নহ'ল। একোৱেই নহ'ল!

কতোৱাল দৌৰি আহিল। কতোৱাল-ফাঁচিয়ালে জৰীডাল পৰীক্ষা কৰিলেহি। হয়, ফাঁচিৰ জৰীডাল এঠাইত ফটা!

"তই আগতে পৰীক্ষা কৰা নাছিলিনে জৰীডাল?" কতোৱালে গৰ্জি উঠি ফাঁচিয়ালক সুধিলে।

"হুজুৰ! ভালকৈ পৰীক্ষা কৰিছিলোঁ!" ফাঁচিয়ালে কন্দনামুৱা হৈ ক'লে।

তাৰ পাছত পুনৰ মজপুত ৰছী অনাই তাত উপস্থিত ৰাজকৰ্মচাৰীহঁতক একে একে ৰছীডাল পৰীক্ষা কৰি চাবলৈ দিয়া হ'ল। আৰু তাৰ পাছত—

পুনৰ ভৈৰৱমলক ফাঁচিকাঠত থিয় কৰোৱা হ'ল, পুনৰ আগৰদৰেই কতোৱালে এক দুই তিনি চাৰিকৈ আওৰাই থাকিল, পুনৰ 'আঠ' বুলি কোৱাৰ লগে লগেই ফাঁচিৰ জৰীডাল সামান্যকৈ কঁপি উঠা দেখা গ'ল, আৰু পুনৰ 'দহ' বুলি তেজ



গোটমৰা সংখ্যাটো তথা শব্দটো কোৱাৰ লগে লগেই ফাঁচিয়ালে তাৰ দেহৰ সমস্ত শক্তিৰে জৰীডালত মৰ টান মৰা হ'ল।

কিন্তু পুনৰ সেই একেই দৃশ্যৰ অৱতাৰণা হ'ল। দেখা গ'ল—ফাঁচিৰ জৰীডালৰ এঠাইত ছিঙা!

এই আচৰিত ঘটনাৰ কথা কতোৱালে তৎক্ষণাৎ মহাৰাজক ক'লেগৈ। শুনি মহাৰাজৰ মুখৰপৰা বহু পৰলৈকে মাতেই নোলোৱা হ'ল।

কতোৱালে ক'লে, "মহাৰাজ! কিবা দৈৱীশক্তিয়েই এই কাম বাৰে বাৰে কৰা যেন লাগিছে। আৰুনো কি ক'ম?"

বুলি ক'লে ঠিক তেতিয়াই আকৌ ফাঁচিৰ জৰীডাল অলপমান কঁপি উঠা যেন হ'ল। আৰু তাৰ পাছত—

'দহ!'

বুলি কোৱাৰ লগে লগেই ফাঁচিয়ালে জৰীডালত মৰ-টান মৰা হ'ল।

কিন্তু—কিন্তু এইবাৰ ফঁাচিৰ জৰীডাল একেবাৰে ছিঙি গ'ল!

ৰাইজে—চিঞৰি উঠিল, "হে ঈশ্বৰ! অপূৰ্ব তোমাৰ লীলা!"

মহাৰাজ কিছু সময়ৰ বাবে মৌন হৈ থাকিল। তাৰ পাছত তেওঁ ধীৰে-শাঁতে ক'লে, "কোনো কাৰণ—লৌকিক বা অলৌকিক যিয়েই নহওক—কোনো কাৰণ নথকাকৈ কিয় বাৰে বাৰে এই একেই ঘটনা ঘটিব? এতিয়া মোৰ মনত পৰিছে—সমীৰ নামৰ ল'ৰাটিক মই ঈশ্বৰৰ নাম লৈ কিঞ্চিত বিদ্ৰূপ কৰিছিলোঁ। ময়ো একেই ধাৰণা কৰিছোঁ, ৰাইজে কোৱাৰ দৰে ময়ো কৈছোঁ—এয়া অপূৰ্ব ঈশ্বৰৰে লীলা। ভৈৰৱমলক, আৰু তাৰ অনুচৰহঁতকো এতিয়াই মুক্তি দিয়া হ'ল। কিন্তু এইবিলাকে আমাৰ অধীনত থাকিয়েই নতুন জীৱনৰ পাতনি মেলক—এয়ে মোৰ ইচ্ছা।"

তিমানতে — তাত উপস্থিত থকা ৰাইজৰ মনতো এই ধাৰণা বদ্ধমূল হৈছিল

কিন্তু—ফাঁচি তো দিবই লাগিব। হাজাৰ হওক ৰজাৰ হুকুম! ৰজাৰ হুকুম একোপধ্যে ৰদ কৰিব নোৱাৰি। হুকুম তামিল কৰিব লাগিবই।

চাওঁতে চাওঁতে স্বয়ং মহাৰাজ, মহামন্ত্ৰী আৰু সেনাধিপতিও বধ্যভূমিলৈ আহিল। আকৌ আগৰ দৰেই বহু ধৰণে পৰীক্ষা-নিৰীক্ষা কৰা হ'ল ফাঁচিৰ জৰীডাল। স্বয়ং মহাৰাজেও পৰীক্ষা কৰিলে। আৰু—তাৰ পাছত এই জৰীডাল ভৈৰৱমলৰ ডিঙিত খোৰোচা-গাঁঠিৰে লগাই দিয়া হ'ল।

আকৌ কতোৱালে এক-ৰপৰা সংখ্যা-বোৰ আওৰাই থাকিল। যেতিয়া 'আঠ'

যে ডকাইত-চৰ্দাৰ ভৈৰৱমলক স্বয়ং ঈশ্বৰেইহে ৰক্ষা কৰিলে। নহ'লে—ফাঁচিৰ জৰী তিনিবাৰকৈ কিয় ফাটিব কিয় ছিঙিব? এতেকে—মহাৰাজৰ সিদ্ধান্তত ৰাইজো আনন্দিত হ'ল।

ভৈৰৱমলক আৰু তাৰ অনুচৰবিলাকক মুক্ত কৰি দিয়া হ'ল।

ভৈৰৱমল আৰু তাৰ লগৰীয়াবিলাক ৰজাৰ কাষ চাপিল আৰু তেওঁৰ চৰণ স্পৰ্শ কৰি কৃতজ্ঞতা জ্ঞাপন আৰু কুকৰ্ম পৰিত্যাগ কৰাৰ প্ৰতিজ্ঞা কৰিলে।

"তোমালোকে ঈশ্বৰ ওচৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰাঁ—যিজনা ঈশ্বৰে আশ্চৰ্য্যময় শক্তিৰে তোমোলোকৰ জীৱন ৰক্ষা কৰিলে। এতিয়া তোমালোক আমাৰ ৰাজ্যতে থাকি সৎ উপায়েৰে জীৱন যাপন কৰাঁ আৰু লগতে আমাৰ ৰাইজৰ কাৰণে জীৱন উৎসৰ্গ কৰাঁ।"

মহাৰাজে এই কথা কোৱাৰ লগে লগেই ৰাইজৰ মাজৰপৰা ধ্বনি উঠিল, "মহাৰাজৰ জয় হওক! দীৰ্ঘজীৱী হওক! করুণাময় অপূৰ্ব ঈশ্বৰৰ জয় হওক!"

*

এক বনাঞ্চলৰ এচুকত বহি সমীৰে অপূৰ্বক সুধিলে, "এনে বিস্ময়কৰ কাম আপুনি কেনেকৈনো সাধিলে!"

অপূৰ্বই মৃদুকৈ হাঁহি মাৰি ক'লে, "সমীৰ, মোৰ অদৃশ্য হৈ থকাৰ যে ক্ষমতা আছে — সেই কথা তো জানাই। কতোৱালে 'আঠ' বুলি কোৱাৰ লগে লগেই মই সুতীব্ৰ গতিৰে দৌৰি গৈ ফাঁচিৰ জৰীডাল সামান্যভাৱে কাটি দিছিলোঁ। তৃতীয়বাৰ অৱশ্যে বেছিকৈ কটা যোৱাত জৰীডাল একেবাৰে ছিঙি পৰিল। যি কি নহওক—এই ডকাইতহঁত যে ৰক্ষা পৰিল আৰু এসময়ৰ অসামাজিক কৰ্মলিপ্তহঁত যে জীৱন যাপনলৈ উদ্বুদ্ধ হ'ল এনে মোৰ আনন্দ আৰু মানৰ হিচাপে গৰ্ব।" [আগলৈ

অচল-স্মুচল

আত্মপ্ৰতিজ্ঞাত অটল ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ডালত লটঘটকৈ ওলমি থকা গধুৰ মৃতদেহটো নামাই আনি কান্ধত পেলাই লৈ পুনৰ নিমাতে-নিৰৱে নিস্তব্ধ-নিৰ্জন মৰিশালিলৈ বুলি খোজ লোৱাৰ লগে লগে মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তুমি যে কিয় যুগ যুগ ধৰি এই নিৰৱচ্ছিন্ন শ্ৰম কৰি আছা, তাৰে যে কি ফল পাবা, তুমিহে ক'ব পাৰিবা। কিন্তু – যদিহে কিবা অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ এই অভাৱিত শ্ৰম কৰিছা তেনেহ'লে—প্ৰতিকাৰ-প্ৰতিশোধৰ স্মুচল পায়ো যে অচল নহ'বা যজ্ঞকৰ্ম মুনিৰ দৰে হেঁাহকা নিদিবা; সেই কথা নিশ্চয়কৈ কোৱা টান :" এই বুলি কৈ, বেতালে তাৰ কথাৰ উদাহৰণ-স্বৰূপে স্মুচল পায়ো অচল হোৱাৰ সেই বিশেষ কাহিনী ক'বলৈ ধৰিলে :

'বেতাল-কথা'



হিমগিৰি ৰাজ্যৰ ৰজা মহাৰাজ বীৰসেনে তেওঁৰ একমাত্ৰ পুত্ৰ বিজয়সেনক সৰ্ববিদ্যাত পাৰংগম কৰি তোলাৰ মনেৰে শিক্ষাগুৰু যজ্ঞকৰ্ম মুনিৰ আশ্ৰমলৈ স্বয়ং লৈ গ'ল।

মহাৰাজ বীৰসেনে মুনি যজ্ঞকৰ্মক ক'লে, "হে মহাত্মা, মই এই দেশৰ ৰজা। এওঁ—মোৰ এই পুত্ৰ বিজয়সেন হ'ল এই দেশৰ ভৱিষ্যৎ ৰজা। এওঁক বিশেষ ভাবে সৰ্ববিদ্যাবিশাৰদ কৰি তোলাৰ মনেৰে এওঁক আপোনাৰ-হাতত সঁপিছোঁ। এতিয়াৰপৰা এওঁৰ কুশল-অকুশলৰ সৰ্ববিধৰ দায়িত্ব আপোনাৰ।"

মহাৰাজৰ কথাৰ উত্তৰত মুনি যজ্ঞকৰ্মই ক'লে, "মহাৰাজ, বিদ্যাৰ্জনৰ ক্ষেত্ৰত ৰাজপুত্ৰ আৰু ৰায়তপুত্ৰত কোনো প্ৰভেদ নাই। এতেকে—এওঁক বিশেষ ভাবে শিক্ষাদান কৰাৰ প্ৰশ্ন নুঠে। আৰু—এওঁক যিস্থলত এতিয়ালৈকো মই মোৰ শিষ্যৰূপে গ্ৰহণ কৰা নাই, গতিকে এওঁৰ দায়িত্ব গ্ৰহণ কৰাৰো প্ৰশ্ন নুঠে।"

"স্বয়ং দেশৰ ৰজাই লৈ আহিলে আপুনি দায়িত্ব গ্ৰহণত অস্বীকৃত নহ'ব বুলি মই ভাবিছিলোঁ।" মহাৰাজে ক'লে।

"এই দেশৰ সাৰ্বিক দায়িত্ব আপোনাৰহে। গতিকে—ইমান অহংকাৰপূৰ্ণ অনুৰোধৰূপী এনে আদেশ আপোনাক নোশোভে, মহাৰাজ!" যজ্ঞকৰ্ম মুনিয়ে ৰজাক ক'লে।

মহাৰাজ বীৰসেন পেটে পেটে ক্ৰুদ্ধ হৈ উঠিল। কিন্তু তেওঁ নিজক সংযত কৰি ক'লে, "আপুনি মোৰ পুত্ৰক শিক্ষাদানৰ দায়িত্ব গ্ৰহণ কৰিবান নকৰে—তাকে মাত্ৰ স্পষ্টৰূপে কৈ দিয়ক।"

যজ্ঞকৰ্ম মুনিয়ে বিজয়সেনৰ মুখ নিৰীক্ষণান্তে ক'লে, "এই চিৰায়ুষ্মানৰ মুখভাবলৈ চাই মোহিত হৈ মই এওঁৰ শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰিলোঁ।"

অভিমানী আহত মহাৰাজে আন একো নকৈ, পুত্ৰক তাতে এৰি থৈ, তৎমুহূৰ্ততে

ৰাজধানীলৈ বুলি খোজ বঢ়ালে।

সিদিনাৰেপৰাই গুৰু যজ্ঞকৰ্ম মুনিয়ে ৰাজপুত্ৰ বিজয়সেনৰ বিদ্যাশিক্ষাৰ সৰ্বদায়িত্ব গ্ৰহণ কৰিলে।

গুৰুৰ প্ৰত্যক্ষ পৰ্যাৰেক্ষণাধীনত বিদ্যা লাভ কৰি বিজয়সেন যেতিয়া ষোল বছৰীয়া হ'ল, তেতিয়া বিজয়সেন বেদ-বেদংগ, অন্য অন্য শাস্ত্ৰ, বিভিন্ন শস্ত্ৰ-বিদ্যাতো যেনে — ধনুৰ্বিদ্যা, তৰৱাৰি-চালনা, গদাযুদ্ধ, অশ্ব-চালনা আদিতো বিশেষ পাৰংগমতা আৰ্জিব পাৰিলে।

এদিন গুৰু যজ্ঞকৰ্ম মুনিয়ে ৰাজ পুত্ৰ বিজয়ক ক'লে, "পুত্ৰ, আজিৰপৰা তোমাৰ বিদ্যাভ্যাস সমাপ্ত হ'ল। তুমি এতিয়া ৰাজধনীলৈ প্ৰত্যাৱৰ্তন কৰাঁ আৰু ভৱিষ্যতত এগৰাকী শান্তিপ্ৰিয় ৰজা ৰূপে প্ৰসিদ্ধি লাভ কৰাঁ।"

ৰাজপুত্ৰ বিজয়সেনে গুৰুক সাষ্টাংগে প্ৰণাম কৰি ক'লে, "গুৰুজী, গুৰুদক্ষিণা কেনেকৈ যে দিম—ভাবি উলিয়াব পৰা নাই। অনুগ্ৰহ কৰি আপুনিয়েই কওক, আপোনাক কি লাগে।"

এই কথাৰ উত্তৰত গুৰু যজ্ঞকৰ্মই ক'লে, "পুত্ৰ বিজয়, তুমি হ'লা মোৰ শ্ৰেষ্ঠতম শিষ্য। এয়ে মোৰ বাবে শ্ৰেষ্ঠতম গুৰুদক্ষিণা।"



তথাপি বিজয়সেনে ক'লে, "গুৰুজী! মোৰ তৃপ্তিৰ বাবে আপুনি কিবা এটা গ্ৰহণ কৰক।"

মুনি তথা গুৰু যজ্ঞকৰ্মই ক'লে, "আয়ুষ্মান! তোমাৰ তৃপ্তিৰ কাৰণে মই গুৰুদক্ষিণা কেতিয়াবা নিজেই খুজি ল'ম, কথা দিলোঁ।"

তাৰ পাছত—বিজয়সেনে গুৰুৰ চৰণ-বন্দনা কৰাৰ অন্তত ৰাজধানীলৈ বুলি যাত্ৰা কৰিলে।

পুত্ৰক প্ৰকৃততেই সৰ্ববিদ্যাবিশাৰদ হিচাপে পাই মহাৰাজ বীৰসেন অত্যন্ত আনন্দিত হ'ল। কিন্তু আনন্দৰ মাজতো

মুনি যজ্ঞকর্মকৃত সিদিনাৰ সেই অহংকাৰপূৰ্ণ অপমানৰ কথা অকস্মাৎ তেওঁৰ মনত জাগ্ৰত হ'ল আৰু তেওঁ তৎক্ষণাৎ কিছুমান চিপাহীক মতাই অনাই সিহঁতক ক'লে, "তোমালোক এতিয়াই মুনি যজ্ঞকৰ্মৰ আশ্ৰম শান্তিবনলৈ যোৱা। গৈ —যজ্ঞকৰ্মক কোৱাগৈ যে—তেওঁ যদি শান্তিৰে শান্তিবনত জীৱন অতিবাহিত কৰিবলৈ বিচাৰে, মোৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিব লাগিব। যদি তেওঁ অন্যথা কয় বা কৰে, তেওঁৰ শান্তিবনত জুই লগাই দিবা।"

চিপাহীহঁতে মহাৰাজৰ কথাখিনি হুবহু ক'লেগৈ মুনি যজ্ঞকৰ্মক। মুনিয়ে কথা শুনি উত্তৰ ক'লে, "ধেৎ! সেই মহাগণ্ডপী ভেম ধৰাৰ ওচৰত কিহলৈনো মই ক্ষমা প্ৰাৰ্থনা কৰিম?"

তেতিয়া ৰজাৰ চিপাহীহঁতে মুনি যজ্ঞকৰ্মৰ আশ্ৰমত জুই লগাই দি পুনৰ ৰাজধানীলৈ গুচি আহিল।

সাতদিনৰ অন্তত স্বয়ং মহাৰাজ বীৰসেন পুনৰ যজ্ঞকৰ্ম মুনিৰ আশ্ৰমলৈ গ'ল— যেনেতেনে মুনিৰপৰা ক্ষমা প্ৰাৰ্থনা আদায় কৰাৰ মনেৰে।

তেতিয়া মুনি এজোপা বৃক্ষৰ তলত বহি আছিল। মহাৰাজে মুনিক ক'লেগৈ, "এতিয়া তোমাৰ জুপুৰী ঘৰ এটাও নাই, পাছত গছৰ তলত বহাৰো মুদা মৰিব।

এতিয়াও ক্ষমা প্ৰাৰ্থনা কৰাঁ, সকলো ঠিক হৈ যাব।"

যজ্ঞকৰ্ম মুনিয়ে ক'লে, "মহাৰাজ, তুমি যে ইমান অহংকাৰী সেই ধাৰণা মোৰ নাছিল। মনত ৰাখিবা, মই তোমাৰ পুত্ৰৰ শিক্ষাগুৰু। ফুটনিত বেঙেনা নভজাই ভাল।"

মহাৰাজ বীৰসেনে তৎক্ষণাৎ মুনিলৈ টোঁৱাই কাঁড় এপাট এৰিলে ; কিন্তু মুনি যজ্ঞকৰ্মই কাঁড়পাট মন্ত্ৰবলেৰে তৎক্ষণাৎ ভস্ম কৰি পেলালে।

মুনিৰ এই ক্ষমতাৰ পৰিচয় পাই, মহাৰাজে অশ্বচালনা কৰি সেই আশ্ৰম এৰি বিজুলীগতিৰে গুচি গ'ল। তেওঁ আৰু কেতিয়াও এই আশ্ৰমলৈ অহা নাছিল।

কিছুদিনৰ অন্তত ৰাজপুত্ৰ বিজয়সেন গুৰুৰ আশ্ৰমলৈ আহিল। গুৰুৱে সুধিলে, "পুত্ৰ, তোমাৰ কুশলনে ?"

"গুৰুজী ! মোৰ ৰাজ্যাভিষেক হৈ গ'ল। এই শুভ সময়পোলক্ষ্যে আপোনাৰ আশীৰ্বাদ ল'বলৈহে আহিলোঁ। কিন্তু—আশ্ৰমৰ এনে শ্ৰীহীন অৱস্থা কিয় হ'ল গুৰুদেৱ ? কিবা দুৰ্ঘটনা ঘটিলনে ?" বিজয়সেনে সুধিলে।

মুনি যজ্ঞকৰ্মই ক'লে, "পুত্ৰ, এই আশ্ৰম কোনো দুৰ্ঘটনা পৰি পুথি ছাৰখাৰ হোৱা নাই। এয়া এক উন্মাদ অহংকাৰীৰ কীৰ্তি। এই অহংকাৰীয়ে মোকো বধিবলৈ চেষ্টা কৰিছিল।"



বিজয়সেনে আবেগৰে সৈতে কৈ উঠিল, "এই উন্মাদ যেৱেই নহওক, মই প্ৰতিবিধান কৰিম। এই উন্মাদ—উন্মাদ হ'লেও শিৰশ্ছেদ কৰিম—এয়ে মোৰ প্ৰতিজ্ঞা। দয়া কৰি কওক গুৰুজী, আপোনাৰ ওপৰত অন্যায় অত্যাচাৰ কৰা অত্যাচাৰী এই উন্মাদ কোন?"

শিষ্যৰ প্ৰতিজ্ঞাৰ কথা শুনি গুৰুৱে প্ৰমাদ গণিলে। তেওঁ ক'লে, "এই দুষ্কৰ্মকাৰীৰ পৰিচয় নাজানি প্ৰতিজ্ঞা কৰাটো উচিত হোৱা নাই, পুত্ৰ! নামটো শুনিলেই প্ৰতিজ্ঞাভংগ কৰাতো বাধ্য হ'ব পাৰা।"

"গুৰুজী! মই প্ৰতিজ্ঞা পালনত অসমৰ্থ বুলি কিয় ভাৱিছে? আপুনি সেই অন্যায় অত্যাচাৰীৰ নামটো কওক।" বিজয়সেনে দৃঢ় কণ্ঠেৰে ক'লে।

মুনি যজ্ঞকৰ্মই মৃদুকৈ হাঁহি মাৰি ক'লে, "এই উন্মাদ—আন কোনো নহয়, স্বয়ং তোমাৰ পিতৃদেৱ, পুত্ৰ!"

"কী!" শুনি বিজয়সেন উচপ খাই উঠিল, "আপোনাৰ প্ৰতি অত্যাচাৰী—মোৰেই পিতৃ! তথাপি মই তেওঁকো ৰেহাই নিদিওঁ। কিন্তু আপোনাৰ প্ৰতি তেওঁ কিয় ইমান বিদ্বেষপৰায়ণ হৈ উঠিল—জানিব পাৰোঁনে?"

মুনি যজ্ঞকৰ্মই বিজয়সেনক প্ৰথমৰে-পৰা সকলো কথা ভাঙি-পাতি ক'লে।

সকলো শুনাৰ অন্তত বিজয়সেনে ক'লে, "গুৰুজী! মই দেউতাক ইয়ালৈ লৈ আহিম আৰু আপোনাৰ পদপ্ৰান্তত তেওঁৰ শিৰশ্ছেদ কৰিম।" এই বুলি কৈয়েই বিজয়সেন ৰাজধানীমুৱা হৈ দিলে।

তেতিয়া শিষ্যক ৰখাই গুৰু যজ্ঞকৰ্মই ক'লে, "পুত্ৰ, তোমাৰপৰা গুৰুদক্ষিণা খুজি ল'ম বুলি কৈছিলোঁ। যে—মন আছেনে?"

"আদেশ কৰক, গুৰুজী! আপোনাৰ আদেশ পালনত মই সদা প্ৰস্তুত।" বিজয়সেনে হাত যোৰ কৰি ভক্তিপূৰ্বক যজ্ঞকৰ্ম মুনিক ক'লে।

"গুৰুদক্ষিণা হিচাপে—মোক তুমি তোমাৰ পিতৃদেৱৰ প্ৰাণদান কৰাঁ, পুত্ৰ মোৰ! এই গুৰুদক্ষিণাহে মোক লাগে।" যজ্ঞকৰ্ম মুনিয়ে ক'লে।

"আপোনাৰ আজ্ঞা শিৰধাৰ্য্য!" এই বুলি কৈ, গুৰুক পুনৰ প্ৰণিপাত কৰি, বিজয়সেন গুচি গ'ল ৰাজধানীলৈ।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰামাদিত্যক সুধিলে, "হে ৰজা, যিজন মহাৰাজ বীৰসেনে মুনি যজ্ঞকৰ্মক আনকি —বধিবলৈকো কাঁড় এৰিছিল, যিজনক মুনিয়ে মন কৰিলেই মন্ত্ৰবলেৰে ভস্ম কৰিব পাৰিলেহেঁতেন, সেইজনক মুনিয়ে সুচল পায়ো কিয় এৰি দিছিল? কিবা অপযশৰ ভয়তেনে? যজ্ঞকৰ্ম মুনিয়ে আনকি ৰজা বিজয়সেনৰদ্বাৰাও নিজ পিতৃক হত্যা কৰোৱাব পাৰিলেহেঁতেন। কিন্তু তথাপি একোৱেই নকৰা হ'ল। কিয়? মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ জানিও যদি নিদিয়া তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "মুনি যজ্ঞকৰ্ম হ'ল সৰ্বসংগপৰিত্যাগী মুনি। তেওঁৰ মাজত যশাকাংক্ষা, কীৰ্তিৰ অভিলাস, ঈৰ্ষা-দ্বেষ একোৱেই নাছিল। দুৰ্বলচিত্ত মহাৰাজ বীৰসেনৰ প্ৰতিও তেওঁৰ মনত কোনো দ্বেষ-ভাব নাছিল। অন্যায়কাৰীৰ বিৰুদ্ধেও কোনো প্ৰকাৰৰ প্ৰতিশোধৰ চিন্তা প্ৰকৃত মহাপুৰুষসকলে কদাপি নকৰে। সেইহে, তেওঁ উত্তেজিত তথা প্ৰতিজ্ঞাবদ্ধ বিজয়-সেনকো তেনেকৈ গুৰুদক্ষিণা বিচাৰি প্ৰতিজ্ঞাৰপৰা বিচ্যুত কৰিছে। মুনি যজ্ঞ-কৰ্মৰ কোনো প্ৰকাৰৰ অপযশৰ প্ৰশ্নয়েই নুঠে। তেওঁ এইবোৰ সকলোবোৰ কথাৰ উৰ্ধত।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[এন. আৰ. শিৱনাগেশৰ ৰচনাৰ আলমত]

উপৰি-উত্তৰ

তেতিয়াৰ বিজয়পুৰী ৰজা বীৰবৰ্মাদেৱৰ শাসনাধীনত আছিল। উপৰিপুৰুষ তথা বংশৰ ধাৰা সম্পৰ্কে বীৰবৰ্মাদেৱ আছিল অতি স্পৰ্শকাতৰ তথা গৰ্বী। এদিন ৰাজসভাৰ কাৰ্য্য সমাপ্ত হোৱাৰ অন্তত ৰাজকোঁৱৰ ৰাজসভালৈ আহিল। তেতিয়া ৰাজকোঁৱৰৰ বয়স বৰ বেছি দুবছৰমান।

মহাৰাজে পুত্ৰক সিংহাসনত বহুৱাই কলে, "পুত্ৰ, আমাৰ বিদূষকক আমাৰ বংশৰ ধাৰা দেখুৱাই দিয়াচোন?"

সৰু লৰাটিয়ে দেউতাকৰ কথা বুজক-নুবুজক, ভৰিৰ ওপৰত ভৰি তুলি সিংহাসনত আৰাম কৰি বহিল।

এই দেখি মহাৰাজে কৈ উঠিল, "চা—ব্বাইছ, বেটা, চা—ব্বাইছ!" তাৰ পাছত তেওঁ বিদূষকলৈ চাই হাঁহি মাৰি ক'লে, "দেখিলাই নহয়, আমাৰ বংশধাৰা কেনেকুৱা!"

বিদূষকে ক'লে, "হয়, মহাৰাজ! কথা আচৰিত হয়েই। এই পাদী কেঁচুৱা ৰাজকোঁৱৰেও সেই কথা পানী পানীকৈ শিকালে।"

এই কথা শুনি মহাৰাজে বিদূষকক এধাৰ ৰত্নমালা উপহাৰ দিলে।

তেতিয়া বিদূষকে ৰাজকোঁৱৰক ক'লে, "ৰাজকুমাৰ! আপোনাৰ ৰাজগৌৰৱ আকৌ এবাৰ দেখুৱাওকচোন!"

কিন্তু ৰাজকোঁৱৰ কুমাৰবৰ্মা তেতিয়া খেলি থকাত মগ্ন হৈ আছিল, বিদূষকৰ কথালৈ কেৰেপকে নকৰিলে। মহাৰাজে তাৰ পিনে চাই ভুৰু কোঁচালে, কিন্তু তালৈকো ৰাজকোঁৱৰ ঘূৰিও নোচোৱা হ'ল, খেলিয়েই থাকিল।

বিদূষকে তেতিয়া হাঁহি মাৰি ক'লে, "মহাৰাজ! এইবাৰ কিন্তু আমাৰ ৰাজকুমাৰে বংশধাৰা নুমাই পেলালে; পিতৃ-আজ্ঞা পালন নকৰা হ'ল। ৰাজকুমাৰে আপোনাৰ আজ্ঞা পালন নকৰি নিজৰ কিবা এটা আছুতীয়া ধাৰা প্ৰৱৰ্তন কৰালৈহে আগ্ৰহ দেখুৱালে—বংশধাৰাৰ বিৰুদ্ধে! উপৰিপুৰুষৰ ধাৰা উত্তৰপুৰুষে নামানিবও পাৰে, মহাৰাজ!"

মহাৰাজে বিদূষকৰ যুক্তিপূৰ্ণ কথাত ভাল পাই আকৌ মূল্যৱান হাৰ এধাৰ উপহাৰ দিলে।

—শাৰদা



চান্দমামা-ক্রোড়পত্র-৩২

তেওঁসৱৰ স্বপ্নৰ ভাৰত

এই বিভাজন পৰিষ্কাৰ নহয় !

১৯৪০ বপৰা ১৯৩৬ চনলৈকে—ভাৰত-ইতিহাসৰ প্ৰধান তথা অতি গুৰুত্বপূৰ্ণ কালছোৱাত মওলানা আবুলকালাম আজাদ আছিল ভাৰতৰ জাতীয় কংগ্ৰেছৰ সভাপতি। তেওঁৰ জন্ম ১৮৮৮ চনত, মৃত্যু ১৯৫৮ চনত। ভাৰতৰ স্ব-ধীনতা প্ৰাপ্তিৰপৰা মৃত্যুকাললৈকে তেওঁ কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ পদ অলংকৃত কৰিছিল।

মওলানা আবুলকালাম আজাদ আছিল ভাৰতবৰ্ষৰ বিভাজনৰ বিৰোধী। ১৯৪৬ চনত তেওঁ এক ভাষণত কৈছিল :

"…আমাৰ সমস্যাৰ বিভাজন পৰিষ্কৃত নহয়। এই বিভাজনৰ ফলত আমাৰ সমস্যাসমূহ বৃদ্ধিহে হ'ব, হ্ৰাস নহ'ব। মোৰ বোধেৰে—আমাৰ এই মনোমালিন্য বা দ্বেষ তাৎক্ষণিক। গতিকে—গ্ল্যাডস্ট'নে কোৱাৰ দৰে : পানীৰ ভয়ৰ পৰা ৰেহাই পাবলৈ হ'লে পানীত নামি ভয় গুচোৱাটোৱে ভাল'। আমাৰ মনৰ বিভাজনৰ তথা সমস্যাৰ পৰিষ্কাৰ-কৰনো, সেই উপায়েৰেহে কৰিব লাগিব।"

আমি তেতিয়া আজাদৰ কথা শুনাহেঁতেন !

আমি জানোনে ?

১. কেনপুল নামৰ বিখ্যাত ঐতিহাসিকে এগৰাকী খ্যাতনামা ব্যক্তিৰ সম্পৰ্কে এই কথা কৈছিল : "তেওঁ জীৱনত বাগৰি বাগৰি আহিল, আৰ বাগৰি বাগৰিয়েই গ'ল !" এই খ্যাতনামা ব্যক্তিজন কোন আছিল ?

২. পৃথিৱীৰ গভীৰতম খনি ক'ত অৱস্থিত ?

৩. পাৰ্শীসকল ভাৰত কোন ঠাইলৈ পোন প্ৰথমে আহিছিল ?

৪. ভাৰতৰ সৰ্ববৃহৎ নিৰ্মল জলাশয় কত অৱস্থিত ?

[উঃ ৩৬ পৃঃ]

সৰস্বতী

সুপ্ৰাচীনকালৰেপৰাই পৰম পৱিত্ৰ সৰস্বতী নদী-তীৰত অনেক মুনি-ঋষি বসবাস কৰিছিল। তেওঁলোকৰ মুখ-নিঃসৃত বহুতো শ্লোক আজিও অব্যাহত ঋষিসকলে নিৰ্মল জলধাৰা সমন্বিত সৰস্বতী নদীক আমৰ মানৱ-সমাজৰ আধ্যাত্মিক প্ৰেৰণাদায়িনী তথা জ্ঞানদায়িনীৰূপে বৰ্ণাইছে।

ধনৰ অধিষ্ঠাত্ৰী লক্ষ্মীদেৱীৰ দৰে সৰস্বতীও হ'ল বিদ্যাৰ তথা জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী। কথিত আছে যে পৰমব্ৰহ্মাৰ মুখৰপৰা বাগ্‌দেৱী আৱিৰ্ভূতা হৈছে। বিদ্যাৰম্ভৰ কালত আই সৰস্বতীক বন্দনা কৰা হয়। সৰস্বতী দেৱী হ'ল সত্যৰূপিনী আৰু শ্বেতবস্ত্ৰ অলংকাৰ বিভূষিতা নিৰ্মল-

হৃদয় দেৱী। আমাৰ আৰ্য্যসভ্যতা-সম্ভূত ভাৰতীয় পুৰাণতো সৰস্বতী দেৱীৰ কথা সগৌৰৱে উল্লেখিত হৈছে। এই বিদ্যা-দায়িনী বাণীৰ অধিষ্ঠাত্ৰীৰ বাহন হ'ল হংস।

আৰুনো কিমান লাগে ?

শেহান্তৰত উপসাগৰীয় যুদ্ধৰ অন্ত পৰিল আৰু পৃথিৱীয়ে স্বস্তিৰ উশাহ এৰিলে। এই প্ৰসংগত নৰওৱেৰ এগৰাকী প্ৰখ্যাত গণিতজ্ঞই যুদ্ধ সম্পৰ্কে কিছু তথ্য আমালৈ উপহাৰ আগ বঢ়াইছে। তেওঁৰ মতে : বিগত ৫,৫৬০ বছৰত ১৪,৫৩১ বাৰ উপসাগৰীয় যুদ্ধ হৈছে। তাৰ অৰ্থ হ'ল — গড়ে বছৰেকত ২·৫ বাৰকৈ যুদ্ধ হৈছে !

আৰুনো কিমান যুদ্ধ লাগে ?



সম্বাদ-বিসম্বাদ



আমেৰিকাত ৰামায়ণৰ অনুবাদ !

আমেৰিকাত ৰামায়ণৰ ইংৰাজি-অনুবাদ হৈছে। আমেৰিকাৰ তিনিখন বিশ্ববিদ্যালয়ৰ পাঁচগৰাকী সংস্কৃতবিদ পণ্ডিত ব্যক্তিয়ে এই কাৰ্য্যক্ৰম বাৰ বছৰৰ আগতেই হাতত লৈছিল; সম্প্ৰতি প্ৰিন্সটন বিশ্ববিদ্যালয়ে তৃতীয় খণ্ড প্ৰকাশ কৰিছে। আৰু চাৰিখণ্ড প্ৰকাশ কৰিলেই এই ৰামায়ণ সমাপ্ত হ'ব। এতিয়াৰপৰা প্ৰায় পঁচিছ বছৰৰ আগতে বৰোদাৰপৰা প্ৰকাশিত পৰিষ্কৃত ৰামায়ণৰ আধাৰত এই অনুবাদকাৰ্য্য চলি আছে।

সাহিত্যৰ ফুলনিত

১. ৰবিনছন ক্ৰুছোই কিমানদিনলৈ দ্বীপত আছিল ?

২. 'ফুল্ ছাৰ্ক্‌ল্' নামৰ আত্মকথা কোনে ৰচিছিল ?

৩. 'দ্য পাস্ট মাস্টাৰ্চ' আৰু 'এ পিএম অন্ পিএম' নামৰ গ্ৰন্থ কোন দুজন বৃটিছ প্ৰধানমন্ত্ৰীয়ে লিখিছিল ?

৪. 'অল্ ইজ ওৱেল দ্যাট্ এণ্ডছ ওৱেল' হ'ল শেকছপীয়েৰ-ৰচিত অন্যতম নাটক। এগৰাকী খ্যাতনামা ৰুশ্ লেখকে তেওঁৰ উপন্যাস এখনৰ নামকৰণ এই নামেৰে কৰিছিল। সেই উপন্যাসখনৰ নাম? সেই ৰুশ্ লেখকজনৰ নাম ?

উত্তৰ

জানোনে?

১. হুমায়ুন। তেওঁ সৰুতে টান-বেমাৰত পৰি মৰাৰ আধৰুৱা হৈছিল, আৰু প্ৰাসাদৰ খটখটিৰপৰা বাগৰি পৰি তেওঁৰ মৃত্যু হৈছিল।

২. বাংগাল'ৰৰ নিকটস্থ কোলাৰ স্বৰ্ণখনি।

৩. খৃঃ পূঃ ৭৬০ চনত, গুজৰাটত।

৪. কাশ্মীৰৰ উলাৰ হ্ৰদ (তড়াগ)।

সাহিত্য

১. ২৩ বছৰ ২ মাহ ১৯ দিন।

২. ছাৰ এন্থনি ইডেন।

৩. হ্যাৰল্ড ম্যাকমিলান, হ্যাৰল্ড উইলছন।

৪. 'ওৱাৰ এণ্ড পিছ'; লিঅ' টলস্টয়।

জগতৰ পৌৰাণিক কাহিনী·(৬)

সময়োচিত সাৱধান-বাণী

অপৰূপ সৌন্দৰ্য্যৱতী আটলাণ্টাই এদিন এক প্ৰস্তৰখণ্ডৰ আঁৰৰপৰা এক আশ্চৰ্য্য সাৱধান-বাণী শুনিলে যে তাই কাৰোবাক বিয়া কৰালে বিপদ হ'ব।

কিন্তু ইতিমধ্যেই আটলাণ্টাক বিয়া কৰাবলৈ বহুতো মৰ্য্যাদাশালী পৰিয়ালৰ যুৱক আৰু ৰাজকোঁৱৰাইতো আগ বাঢ়িছিল। তাইৰ দেউতাকে যোগ্য পাত্ৰৰ বাবে ভৰা-গুণা কৰি থাকিল।

আটলাণ্টাই এই কথা ভালকৈ জানিছিল যে তাই বিয়া নকৰাব বুলি ক'লে একো লাভ নহ'ব, দেউতাকে জোৰ কৰিয়েই বিয়া দিব। কিন্তু প্ৰথামতে তাই চৰ্ত আৰোপ কৰিব পাৰে। সেইহে তাই ক'লে, "মোক দৌৰত পৰাজিত কৰিব পৰাজনকহে মই বিয়া কৰাম।"

আটলাণ্টাৰ সৈতে দৌৰত পৰাজিত হোৱাসকলক বধ কৰা হ'ব বুলিও ৰজাই সিদ্ধান্ত ল'লে। দৌৰ আৰম্ভ হ'ল। মধ্যস্থ তথা বিচাৰক হিচাপে থাকিল হিপোমেনেছ নামৰ যুৱক এজন। আটালাণ্টাই সকলো প্ৰতিযোগীক পিছ পেলাই দৌৰত বিজয়ী হ'ল।

পৰাজিত প্ৰতিযোগীসকলক বধ কৰা হ'ল। তাৰ পাছতো আন কিছুমান যুৱক আহিল, তেওঁলোকো পৰাজিত আৰু নিহত হ'ল। তাৰ পাছত হঠাৎ এদিন হিপোমেনেছেই আটলাণ্টাৰ সৈতে দৌৰিব বুলি ঘোষণা কৰিলে।

আটলাণ্টাই হিপোমেনেছক মনে মনে বহুদিনৰেপৰাই ভাল পাইছিল। তাই হিপোমেনেছক কোনো বাধাও নিদিলে. উৎসাহিতো নকৰিলে। হিপোমেনেছ দেৱী ভেনাছলৈ আকুল প্ৰাৰ্থনা জনালে।

দেৱী ভেনাছ হিপোমেনেছৰ প্ৰাৰ্থনাত তুষ্ট হৈ তাৰ আগত প্ৰত্যক্ষভাবে দেখা দি তাঁক তিনিটা আপেল দিলে আৰু এই আপেলেৰে কি কৰিব লাগিব তাকো ইংগিতেৰে কৈ দিলে।

তাৰ পাছত আটলাণ্টাৰ সৈতে হিপো-মেনেছৰ দৌৰ-প্ৰতিযোগিতা আৰম্ভ হ'ল। অসংখ্য দৰ্শক এই দৌৰৰ ফলাফল চাবলৈ উৎসুক হৈ উঠিল। আটলাণ্টাই দৌৰোতে হিপোমেনেছৰ প্ৰতি মৰম-ভালপোৱাৰ কথা মনতো নানিলে। তাই যেতিয়া হিপোমেনেছক পিছ পেলাই আগুৱাই গ'ল, তেতিয়া হিপোমেনেছে আপেল এটা দলিয়ালে।

আপেলটো বুটলিবলৈ আটালাণ্টা খন্তেকমানলৈ ৰ'ল আৰু সেই ছেগতে হিপোমেনেছে আটলাণ্টাক পিছ পেলাই আগুৱাই গ'ল। এই দৃশ্য দেখা পাই দৰ্শকসকলে উল্লাসধ্বনি কৰি উঠিল।





আটলাণ্টাই তাৰ পাঁছতো হুবাৰ হিপোমেনেছক পিছ পেলাইছিল আৰু হিপোমেনেছে পুনৰ দুয়োবাৰতে এটাকৈ আপেল দলিয়াইছিল। সেই আপেল বুটলিবলৈ আটালাণ্টাই নিজক দমন কৰিব নোৱৰাত হিপোমেনেছ কাণে কাণ মাৰি দৌৰতবিজয়ী হৈছিল।

এইবাৰ আটলাণ্টাই সেই সাৱধান-বাণীলৈ গুৰুত্ব প্ৰদান নকৰাকৈ হিপো-মেনেছক বিবাহ কৰালে। দুয়ো সুখী হ'ল। হিপোমেনেছে পুনৰ দেৱী ভেনাছৰ মন্দিৰলৈ যাব আৰু তাৰ কৃতজ্ঞতা জ্ঞাপন কৰিব—এয়ে আছিল স্বাভাৱিক। কিন্তু হিপোমেনেছ দেৱী ভেনাছৰ মন্দিৰলৈ যাবলৈ পাহৰি থাকিল।

এই কথাত দেৱী ভেনাছ ক্ৰুদ্ধা হ'ল। ছিবেলে নামৰ আন এগৰাকী দেৱীৰ হতুৱা দেৱী ভেনাছে সিঁইতহালৰ ওপৰত অভিশাপ দিয়ালে আৰু দুয়োকো সিংহলৈ ৰূপান্তৰিত কৰিলে। এইদৰে, আটলাণ্টাৰ জীৱনত তেতিয়াহে সেই সাৱধান-বাণী সফল হ'ল। সময়োচিত সাৱধানবাণীলৈ উপেক্ষা প্ৰদৰ্শন কৰাত তাঁই অপৰিমেয় মূল্য দিবলগীয়া হ'ল।

তেতিয়াৰ কালত ৰোম সাম্ৰাজ্যৰ সম্ৰাট ইউনান আছিল অতি প্ৰতাপী আৰু অপৰিসীম শক্তিমান। কিন্তু তেওঁৰ সমগ্ৰ দেহত চৰ্মৰোগ বিয়পি পৰাত ইমান প্ৰতাপী তথা শক্তিমান সম্ৰাট হোৱা সত্বেও আছিল দীন-দুখীইতৰ দৰে ম্ৰিয়মান। চৰ্মৰোগ অনাৰোগ্য নহয়, কিন্তু ৰাজকীয় চিকিৎসকৰপৰা আৰম্ভ কৰি ৰোম সাম্ৰাজ্যৰ বিখ্যাত বিখ্যাত চিকিৎসক সকলৰ দ্বাৰা চিকিৎসা কৰোৱা সত্বেও কোনো সুফল নফলিল। ক্ৰমে, এই ধাৰণাৰে সম্ৰাট আচ্ছন্ন হৈ পৰিল যে— এই চৰ্মৰোগ অনাৰোগ্য ৰোগ। এই ব্যাধিৰপৰা তেওঁৰ নিষ্কৃতি নাই।

এদিন ৰিয়ান নামৰ বৃদ্ধ বৈদ্য এজন ক'ৰবাৰপৰা ৰোম নগৰীলৈ আহিল আৰু সম্ৰাটৰ এই দুৰাৰোগ্য চৰ্মৰোগৰ কথা শুনি বৃদ্ধ বৈদ্য ৰিয়ানে সম্ৰাটৰ কাষ চাপি ক'লে, "মহাৰাজ! মই আপোনাক চৰ্মৰোগৰপৰা মুক্ত কৰিম।"

"যদি তুমি প্ৰকৃততেই মোক এই নিৰতিশয় বিৰক্তিকৰ ব্যাধিৰপৰা মুক্ত কৰিব পাৰা, মই তোমাক সামন্ত ৰজা পাতিম আৰু অন্যান্য মান-সন্মান উপহাৰ-পুৰস্কাৰেৰে ভূষিত কৰিম।" সম্ৰাটে ক'লে।

বৃদ্ধ বৈদ্যৰ বাবে যথোচিত ভাবে থকা—মেলাৰ বন্দৱস্ত হ'ল। বৈদ্য ৰিয়ানে দীঘলীয়া এডাল মাৰিৰে দীঘল হেতাৰ নিচিনা কিবা এটা তৈয়াৰ কৰিলে। তাৰ পাছত বৃদ্ধ ৰিয়ানে ৰজাক ক'লেগৈ, "মহাৰাজ। আপুনি এই কাঠৰ হেতাৰে আজি গোটেই দিনটো ধৰি—'পোলো'

‘ৰোমৰ লোক-কথা’

খেলি থাকক। যিমান সময়লৈকে আপোনাৰ সৰ্বদেহৰপৰা জলস্ৰোতৰ দৰে ঘাম নোলাব, সিমান সময়লৈকে পোলো খেলি থাকিব লাগিব। এয়ে আপোনাৰ চৰ্মৰোগৰ চিকিৎসা, এই চিকিৎসাৰেই আপুনি সুস্থ হৈ উঠিব।"

'পোলো' খেল হ'ল স্পেনদেশৰ খেলা, ঘোঁৰাৰ পিঠিত উঠি খেলিব লাগে। এটা বল—এই ধৰণৰ কাষ্ঠনিৰ্মিত মাৰিৰে ঠেলি ঠেলি লৈ যাব লা:গ।

সম্রাটে নিজৰ অনুচৰসকলৰ সৈতে ঘোঁৰাৰ পিঠিত উঠি 'পোলো' খেলি থাকিল। যিমান সময়লৈকে সম্রাটৰ সৰ্বদেহ ঘামেৰে লুতুৰি-পুতুৰি নহ'ল, সিমান সময়লৈকে খেলি থাকিল।

তাৰ পাছত বৃদ্ধ বৈদ্য ৰিয়ানে সম্রাটক স্নানাগাৰলৈ লৈ গ'ল আৰু তাত অতি উত্তমৰূপে স্নান কৰালে। তৎপৰ সম্রাটক কোমল শয্যাত শুৱলৈ ক'লে।

সম্রাটে যেতিয়া নিদ্ৰাৰপৰা সাৰ পালে, তেতিয়া তেওঁ বিস্ময়ৰে সৈতে লক্ষ্য কৰিলে যে—তেওঁৰ দেহৰ ক'তো চৰ্মৰোগৰ চিন-মোকানো আৰু নাই। আনকি—কেতিয়াবা তেওঁৰ দেহত যে চৰ্মৰোগ আছিল, তাৰ প্ৰমাণেই নাই!

উপহাৰ-পুৰস্কাৰৰ কথা বাদেই, সম্রাটে বৃদ্ধ বৈদ্য ৰিয়ানক ঈশ্বৰৰ প্ৰত্যক্ষ দূত বুলিয়েই ৰাজসভাত বৰ্ণালে।

কিন্তু ৰিয়ানৰ প্ৰতি সম্রাটৰ ইমান শলাগনি-ওলগনি শুনি, তথা শিৰত তুলি লোৱা ভক্তিভাব দেখি সম্রাটৰ মন্ত্ৰী এগৰাকী ৰঙা-ক'লা-তিনি বৰণীয়া হ'ল। তেওঁ ৰিয়ানৰ বিৰুদ্ধে কাপোৰৰ তলত কিলাকুটি চাঁচিবলৈ ধৰিলে।

মন্ত্ৰীয়ে সম্রাটক এদিন ক'লে, সম্রাট! আপুনি বেয়া নাপায় যদি—কথা এষাৰ কওঁ। প্ৰকৃত অৱস্থা হ'ল—এই কথাষাৰ কোৱাটো মোৰ কৰ্তব্য। সম্রাট! আপুনি বৃদ্ধ ৰিয়ানক ইমান প্ৰশ্ৰয় নিদিব,

কেতিয়াবা এই প্ৰশ্ৰয়ৰ ফলতে ভীষণ-ভয়ংকৰ প্ৰমাদত পৰিব পাৰে।"

সম্ৰাটে বিস্মিত হৈ ক'লে, কি কৈছেনা আপুনি; মন্ত্ৰীবৰ! ৰিয়ান হ'ল জগতৰ এক অদ্বিতীয় চিকিৎসক। তেওঁ মোক কোনো যাদুবিদ্যাৰে ভেলেকীৰে ভাল কৰি তোলা নাই, কোনো দৰব-পাতিও খুউৱা নাই। এনেহেন ঐশ্বৰিক ক্ষমতাসম্পন্ন এজনৰপৰা কেনেকুৱা প্ৰমাদ হ'ব পাৰে?"

"সম্ৰাট! এই তথাকথিত ঐশ্বৰিক ক্ষমতায়েই এদিন—ক্ষমা কৰিব—আনকি আপোনাৰ মৃত্যুৰ ক্ষেত্ৰতো প্ৰযুক্ত হ'ব পাৰে।" মন্ত্ৰীয়ে ক'লে।

সম্ৰাট কিছু চিন্তিত হ'ল। ভাবিলে: মন্ত্ৰীৰ কথাত যুক্তি একেবাৰে নাই বুলি ক'ব নোৱাৰি, ফু-তে উৰাই দিব নোৱাৰি। ঐশ্বৰিক ক্ষমতা ঐন্দ্ৰজালিক ক্ষমতা হৈ উঠাত অসুবিধা কিহৰ?

সম্ৰাটে মন্ত্ৰীক সুধিলে, "তেনেহ'লে —ৰিয়ানৰ সম্পৰ্কে কি কৰা উচিত?"

মন্ত্ৰীয়ে নিৰহ নিৰহকৈ ক'লে, "যদি মোৰ পৰামৰ্শকে গ্ৰহণ কৰে, মই—ৰিয়ানক শিৰচ্ছেদ কৰাৰ পৰামৰ্শ দিম, সম্ৰাট! এনেবোৰ শীতল সন্নিপাতক জীয়াই থাকিবলৈ দিয়াটোও বিপজ্জনক প্ৰমাণিত হ'ব পাৰে।"

"ঠিকেই কৈছে।"

সম্ৰাট ৰিয়ানক মতাই পঠালে।

বৃদ্ধ ৰিয়ান তৎক্ষণাৎ উপস্থিত হ'ল। সম্ৰাটৰ প্ৰতি যথোচিত সন্মান প্ৰদৰ্শন-পূৰ্বক ক'লে, "সম্ৰাট! আদেশ কৰক, মই কি কৰিব পাৰোঁ।"

"তুমি একোৱেই কৰিব নালাগে। মই তোমাৰ শিৰশ্ছেদ কৰিম।" সম্ৰাটে ক'লে, "মৃত্যুলৈ প্ৰস্তুত হোৱাঁ!"

ৰিয়ান স্তম্ভিত হ'ল সম্ৰাটৰ কথা শুনি। সম্ৰাটে যে কথাযাৰ ধেমালিতে কোৱা নাই—সেই কথা ধ্ৰুৱ। কিয়নো

—সম্ৰাটৰ সৈতে তেনেকুৱা সম্পৰ্ক ৰিয়ানৰ নাই। ৰিয়ানে ক'লে, "সম্ৰাট! কোনোবাই নিশ্চয় আপোনাক উত্তেজিত কৰি তুলিলে মোৰ বিৰুদ্ধে। ঠিক আছে, আপোনাৰ আদেশময়ো শিৰোধাৰ্য্য কৰিলোঁ। জনমিলে মৰিব লাগে, কোনো অমৰ নোহে তো ভবে। কিন্তু—এটা কথাত মই বৰ চিন্তিত হৈ উঠিছোঁ। মোৰ ঘৰত এখন অতি মূল্যৱান আৰু দুষ্প্ৰাপ্য চিকিৎসা-গ্ৰন্থ আছে। এইখন মহৎ দুষ্প্ৰাপ্য আয়ুৰ্বেদ-গ্ৰন্থ মই আপোনাক উপহাৰস্বৰূপে দিম বুলি ভাবিছোঁ। এইখন মহৎ গ্ৰন্থত বহুতো ৰহস্যজনক কথা লিখিত আছে। আনকি—মোৰ শিৰশ্চেদ কৰাৰ পাছতো এইখন গ্ৰন্থত লিখিত থকা দ্ৰব্য প্ৰয়োগ কৰি মোৰে সৈতে আপুনি অতি সহজেই কথা পাতিব পাৰিব।" বৃদ্ধ বৈদ্য ৰিয়ানে ক'লে।

সম্ৰাটে তৎক্ষণাৎ সেই গ্ৰন্থখন অনালে আৰু আঙুলিৰ আগত থু লগাই খৰখৰকৈ এখন এখনকৈ পাত লুটিয়াই চালে। তাৰ পাছত তেওঁ ৰিয়ানক ক'লে, "ক'তা—মই দেখোন তেনেকুৱা একো দেখা নাই!"

"একদম শেষৰ ফালে আছে, সম্ৰাট। বাঁও ফালে থকা পাত এখনত মাত্ৰ তিনিযাৰি বাক্যেৰে লিখা আছে মৰা মানুহৰ লগত কথা পতাৰ কৌশল!" ৰিয়ানে ক'লে।

সম্ৰাটে আকৌ আঙুলিত বাৰে বাৰে থু লগাই গ্ৰন্থৰ পাতবোৰ লুটিয়াই লুটিয়াই এসময়ত নিজেই লুটি খাই বাগৰি পৰিল। মুহূৰ্ততে সম্ৰাটৰ মৃত্যু হ'ল।

গ্ৰন্থখনৰ শেষৰ ফালৰ কিছুমান পাতত উগ্ৰ বিষ সানি থোৱা হৈছিল। সেই বিষৰ আঙুলিৰে জিভাত লগোৱাৰ লগে লগেই এই অবিবেকী সম্ৰাটে নিজৰ মৃত্যুক পৰিষ্কাৰ ভাবে নিজেই আহ্বান কৰি আনিছিল।



ৰাউতমুৰা ৰাৱণৰ কথাৰ ৰউত্তৰত ভীতা-কম্পিতা সীতাদেৱীয়ে এডালি তৃণ হাতত লৈ ৰাৱণক উদ্দেশি কৈ থাকিল :

"তুমি মোৰ আশা পৰিত্যাগ কৰা। পাপিষ্ঠইঁত যেনেকৈ উত্তমলোকলৈ যাব নোৱাৰে, তেনেকৈ ময়ো তোমাৰ কাৰণে অলভ্য। মই উচ্চকুলজাতা পুণ্যৱতী, অসৎকৰ্ম কদাপি কোনো অৱস্থাতে মই কৰিব নোৱাৰিম। মই পতিব্ৰতা, পৰস্ত্ৰী। তুমি তোমাৰ নিজপত্নীসকলক যেনেকৈ ভালে-কুশলে ৰাখিবলৈ বিচাৰা, তেনেকৈ আনৰ পত্নীকো থাকিবলৈ দিয়া। তোমাক সঠিক জ্ঞান দিব পৰা বোধকৰোঁ কোনো নাই, থকাহেঁতেন তুমি এই কৰ্ম কৰিব নোৱাৰিলাহেঁতেন। অথবা — হয়তো তোমাৰ বিনাশকাল সমুপস্থিত আৰু সেইহে তোমাৰ বুদ্ধিভ্ৰংশ হৈছে। মোক তোমাৰ সুখকৰ অন্তেষপুৰ, অধিকাৰ, ঐশ্বৰ্য্য একো নালাগে। মই শ্ৰীৰামচন্দ্ৰৰ যোগ্য পত্নী, তেওঁৰ শ্ৰীচৰণলৈ উভতি যাবলৈ বিচাৰোঁ। তুমি তেওঁৰ সৈতে যদি মিত্ৰতাৰ বন্ধনেৰে আৱদ্ধ হ'বলৈ বিচাৰা, ময়ো তোমাক সহায় কৰিম। তুমি চিত্তশুদ্ধিৰে মোক তেওঁৰ ওচৰলৈ ওভোতাই লৈ যোৱা। মনত ৰাখিবা—তুমি ভীৰু, কাপুৰুষ। সেইহে তুমি তেওঁৰ অনুপস্থিতিৰ সুযোগত মায়াবলেৰে মোক অপহৰণ কৰি লৈ আহিছা। তোমাৰ এই কাৰ্য্যৰ ফল

'ত্ৰিজটাৰ স্বপ্ন-দৰ্শন'



কদাপি শুভ হ'ব নোৱাৰে। এতিয়াও সময় উকলি যোৱা নাই, এতিয়াও নিজক শুধৰাই লোৱা।"

সীতাদেৱীৰ এবম্বিধ কথাত ৰাৱণৰ গাত ৰণচণ্ডী উঠিল। ৰাৱণৰজাই দুখুনী সীতাদেৱীক ক'লে:

"সীতা! তোমাৰ প্ৰতিবাৰ কথায়েই মোৰ পক্ষে অত্যন্ত অৰমাননাকৰ, আৰু অসহ্য। তোমাক মই মুহূৰ্ত্ততে বধ কৰিব পাৰোঁ। কিন্তু—যিহেতু মই তোমাৰ ৰূপমুগ্ধ, সিহেতুকে এতিয়াও মই মোৰ ক্ৰোধাগ্নি নিৰ্বাপিত তথা সংযত কৰিছোঁ। তোমাক মনস্থিৰ কৰাৰ বাবে প্ৰদত্ত সময়-সীমা আৰু দুই মাহকাল আছে। তাৰ পাছতো যদি মনস্থিৰ নকৰা, তোমাক বধ কৰি ভক্ষণ কৰিম।"

তৎপৰ ৰাৱণে তাত সীতাক আগুৰি ৰৈ থকা ৰাক্ষসীহঁতক ক'লে, "এইৰ মন পৰিবৰ্তিত হোৱাৰ বাবে তোমালোকে সাধ্যে কুলায়মানে চেষ্টা কৰাঁ।"

ধান্যমালিনী হ'ল ৰাৱণৰ সৰ্বশেষ তথা সৰাতোকৈ কম বয়সীয়া ৰাক্ষসী পত্নী। ধান্যমালিনীয়ে ৰাৱণৰ বাহুত বাহুৰে সাবটি ধৰি ৰাৱণক ক'লে, "চোৱা মহাৰাজ! তোমাৰ কাৰণে মই হেলাৰঙে এই জীৱনো বিসৰ্জিব পাৰোঁ—তোমাক মই ইমানেই ভাল পাওঁ। ইমান ভাল-পোৱা পৰিহৰি কিয়নো তোমাক এই মগনিয়াৰ-পত্নীক লাগিছে? কিয়নো এইজনীৰপৰা এনেকৈ টেপৰঠুকা খাই আছা? এই ডাল কটা ভাটৌজনীক কিয়নো তোমাক লাগিছে? তোমাত যিজনীৰ অকণোকে মন নাই, সেইজনীতে কিয়নো তোমাৰ মন খাইছে?"

ধান্যমালিনীৰ কথা শুনি ৰাৱণৰজাই বিচিত্ৰ হাঁহি এচটা বিৰিঙাই, তাৰপৰা গুচি গ'ল।

ৰাৱণ গুচি যোৱাৰ পাছত ৰাক্ষসীহঁতে ৰাৱণ যে কিমান মহান আৰু তেওঁৰ পত্নী



হোৱাত যে সুখৰো উপৰি কিমান যে সন্মান—সেই কথা কৈ কৈ সীতাক নানা ধৰণে নিন্দাবাদ কৰিবলৈ ধৰিলে।

বিনতা নামৰ ৰাক্ষসীয়ে সীতাদেৱীক ক'লে, "মানি ল'লোঁ যে তুমি ৰূপৱতী গুণৱতী আৰু পতিব্ৰতা। এইবোৰ অতি প্ৰশংসনীয়ও হয়। কিন্তু—ৰাক্ষসৰাজ ৰাৱণো কিবা কম সৌন্দৰ্য্যসম্পন্ননে? কম পৰাক্ৰমীনে? গতিকে—এনেহেন সৌন্দৰ্য্যশালী পৰাক্ৰমী ত্ৰিভুৱন-ত্ৰাস মহান ৰজা এগৰাকীৰ পত্নী হ'বা নে সেই ৰামচন্দ্ৰ নামৰ বনবাসীৰ চৰণতো শৰণ ল'বা—ভাবি চোৱা।"

"শুনা, আমি তোমাৰ ভালৰ কাৰণেই এইবোৰ-অতবোৰ কৈছোঁ। তোমাৰ এই যৌৱন শাশ্বত নহয়। এই যৌৱন ৰাৱণৰ সৈতে উপভোগ কৰা।" আন এজনী ৰাক্ষসীয়ে—সীতাক ক'লে।

এইবোৰ কুৎসিত কথা শুনি সীতা দেৱী মৃত্যুলৈ আৰাধনা কৰি থাকিল।

এগৰাকী বৃদ্ধা ৰাক্ষসী তেতিয়ালৈকো টোপনিয়াই আছিল। এই ৰাক্ষসীজনীৰ নাম ত্ৰিজটা। ত্ৰিজটাই টোপনিৰপৰা সাৰ পাই অন্য ৰাক্ষসীবিলাকক ক'লে, "শুনা, যদিহে নিজ নিজ জীৱনলৈ মায়া আছে, সীতাক আৰু নোজোকাবা। মই এক ভয়ানক সপোন দেখিছোঁ। সপোনত মই—ৰাক্ষসকুলৰ বিনাশ আৰু শ্ৰীৰামচন্দ্ৰৰ বিজয় হোৱা দেখা পাইছোঁ।"

"হয়নে? হয়নে? কেনেকুৱা সপোন দেখিলা শুনোচোন?" ৰাক্ষসীহঁতে ত্ৰিজটাক আগুৰি ধৰিলে। ত্ৰিজটাই কৈ থাকিল সপোনৰ কথা:

"ৰজতশুভ্ৰ সাজ-পাৰ শ্বেতশুভ্ৰ ফুলমালা পিন্ধি শ্ৰীৰামচন্দ্ৰই দোলাত উঠি লংকা নগৰী আহি পালেহি। দহ সহস্ৰ হংসই এই দোলা সাগৰৰ বুকুৰেদি টানি লৈ আহিছিল। সীতাদেৱীয়ে শুভ্ৰ বস্ত্ৰ পৰিধান কৰি সাগৰৰ সোঁমাজত থকা



পর্বতোপৰি স্থিৰভাবে দণ্ডায়মানা হৈ আছিল। শ্ৰীৰামচন্দ্ৰই সীতাৰ সৈতে মিলিলগৈ। তাৰ পাছত পর্বতসম আকৃতিৰ হস্তীৰ পিঠিত উঠি ৰাম, লক্ষ্মণ আৰু সীতাদেৱীয়ে লংকা নগৰী পৰিভ্ৰমণ কৰি থাকিল। তৎপৰ—পুষ্পক ৰথোপৰি আৰোহণ কৰি ৰাম, লক্ষ্মণ আৰু সীতা দেৱী উত্তৰ দিশলৈ যাবলৈ প্ৰস্তুতি কৰি থাকিল। ইপিনে আমাৰ মহাৰাজাধিৰাজে—ৰাৱণে তেওঁৰ সৰ্বদেহততেল মালিচ কৰি, সোমৰস পান কৰি, মত্ত অৱস্থাত পুষ্পক ৰথৰ তললৈ ৰাগৰি পৰিল আৰু কোনোবা এজনীয়ে ৰাৱণক মাটিৰ ওপৰেদি টানি টানি লৈ যাবলৈ ধৰিলে। তাৰ পাছত—এটা গাধৰ পিঠিত উঠি ৰাৱণ দক্ষিণ দিশলৈ বুলি গৈ থাকিল। গৈ গৈ হাঠৎ কিবা কাৰণত ভয় খাই ৰাৱণৰজা সেই গাধটোৰ পিঠিৰপৰাও চিত ভোলোঙা খাই পৰিল আৰু আন এজনী তিৰোতাই ৰাৱণক ৰছীৰে বান্ধি টানি টানি লৈ গৈ থাকিল দক্ষিণ দিশলৈ। কুম্ভকর্ণকো মই এনে অৱস্থাতে দেখা পালোঁ। ইন্দ্ৰজিতক মগৰমচ্ছৰ ওপৰত, কুম্ভকর্ণক উটৰ পিঠিত উপৱিষ্ট হৈ থকা দেখা পালোঁ। কেৱল বিভীষণকহে শ্বেতশুভ্ৰ ফুলমালাৰে সজ্জিত শুভ্ৰ বস্ত্ৰ পৰিহিত অৱস্থাত দেখিলোঁ। বিভীষণৰ সৰ্বদেহত শ্বেতচন্দন সনা হৈ আছিল। তেওঁ তেওঁৰ চাৰিওজন মন্ত্ৰীৰে সৈতে চাৰিদন্তীয়া হস্তীৰ পিঠিত বহি থকা দেখা পাইছিলোঁ। আৰু — আৰু দেখা পাইছিলোঁ—আমাৰ লংকা নগৰী চূৰ্ণ-বিচূৰ্ণ হৈ সমুদ্ৰত বিলীন হৈ গ'ল।"

এইদৰে, আৰু বহুতো পৰলৈকে ত্ৰিজটাই ৰাক্ষসীহঁতৰ আগত বহুতো কিবাকিবি বিবৰিলে, আৰু তাৰ পাছত পুনৰ ক'লে, "তোমালোক শুচি যোৱা। সীতাদেৱী ৰামচন্দ্ৰৰ সৈতে লগ লাগিলগৈ বুলি ভাবি লোৱা। সীতাদেৱীক ভাবি-

শুনি যি ক'বলগীয়া ক'বা। সীতাৰপৰা অভয়বাণী পালেহে আমাৰ পক্ষে ভাল হ'ব বুলি ভাবোঁ মই।"

বৃক্ষশাখাত মনে মনে বহি থকা হনুমানে এইবোৰ দেখি আৰু শুনি আছিল। সীতাদেৱীক যে কেনেকৈ কি ক'ব, কি কথাৰে শান্তি-সান্ত্বনা দিব—হনুমানে ভাবি উলিয়াব পৰা নাছিল। কিন্তু সীতাদেৱীক কেৱল দেখি, তেওঁৰ সৈতে কথা-বতৰা নপতাকৈ ইয়াৰপৰা গুচি যোৱাৰো কোনো অৰ্থ নাই। ইপিনে—ৰাক্ষসীহঁতৰ সমুখত, সিহঁতে দেখা পোৱাকৈ সীতাক কিবা ক'বলৈ যোৱাৰ অৰ্থ হ'ব ৰাক্ষস বীৰ সকলৰ সৈতে যুঁজ-বাগৰ। তাৰেও একো লাভ নহ'ব। আৰু—সেই যুঁজত যেময়েই বিজয়ী হ'ম—কেনেকৈ কোৱা যায়? —হনুমানে ভাবিলে: যদি ৰাক্ষসবিলাকৰ বিৰুদ্ধে-যুঁজি বিজয়ী হ'ব পাৰোঁ, তথাপি—পুনৰ সাগৰ পাৰ হৈ-যোৱাৰ শক্তি মোত অৱশিষ্ট নাথাকিবও পাৰে। আকৌ—সীতাদেৱীয়েও যে মোক উপকাৰীৰ বেশত কোনোবা মায়াৱী ৰাক্ষস বুলি নাভাবিব—তাৰো সঠিকতা নাই।

এইবোৰ বিবিধ কথা বিবিধভাবে ভাবি-গুণি, অতঃপৰ সীতাদেৱীয়ে শুনিব পোৱাকৈ সেই বৃক্ষশাখাৰেপৰাই কিছু উচ্চস্বৰেৰে হনুমানে ক'বলৈ ধৰিলে:

"দশৰথ নামৰ মহান ৰজাৰ এগৰাকীৰ ৰামচন্দ্ৰ নামৰ এজন পুত্ৰ আছিল। এই পুত্ৰই পিতৃআজ্ঞা পালনৰ অৰ্থে পত্নী আৰু ভ্ৰাতা সমভিব্যহাৰে বনবাসলৈ ওলাল। দণ্ডকবনত থকাকালত ৰামচন্দ্ৰই বহুতো বীৰ ৰাক্ষসক বধিছিল. ৰাক্ষসৰাজ ৰাৱণে এই বাতৰি পাই, মায়ামৃগৰদ্বাৰা এক অন্যায় মায়াজাল সৃষ্টি কৰি ৰামচন্দ্ৰৰ পত্নী সীতাদেৱীক অপহৰণ কৰি লৈ আহিল। ৰামচন্দ্ৰই তেওঁৰ পত্নীক বিচাৰি অ'লৈ-ত'লৈ গৈ থাকোঁতে সুগ্ৰীৱ নামৰ

বানৰ বীৰৰ সৈতে চিনাকি হ'ল আৰু বানৰৰজা বালীক বধ কৰি সুগ্ৰীৱক বানৰ ৰাজ্যৰ ৰজা পতা হ'ল। বানৰৰাজ সুগ্ৰীৱৰ আদেশত হাজাৰ-বিজাৰ বানৰ বীৰ সীতাদেৱীৰ সা-সম্ভেদ বিচাৰি ওলিয়াবলৈ দিশে দিশে প্ৰধাৱিত হৈছে। সেই বানৰহঁতৰ মাজৰ ময়ো এটা। মই এশযোজন সমুদ্ৰ পাৰ হৈ আহিছোঁ। শ্ৰীৰামচন্দ্ৰ বৰ্ণিত সীতা দেৱীক মই ইয়াতে দেখা পাইছোঁ।"



হনুমানৰ কথাখিনি শুনি সীতাদেৱী চমকি উঠিল আৰু মূৰ দাঙি বৃক্ষশাখালৈ চাই পঠালে। সীতাদেৱীয়ে সেই বৃক্ষ-শাখাত হনুমানক দেখা পালে।

শুভ্ৰ বস্ত্ৰ পৰিহিত হনুমানক বৃক্ষ-শাখাৰ পাতৰ আঁৰত দেখা পাই সীতাদেৱী চিন্তিতা হৈ পৰিল। সীতাদেৱীয়ে কিছু ভয়ো খালে, কিয়নো —ৰাক্ষসীহঁতে যদিহে কেনেবাকৈ গম পায়—তেনেহ'লে যে সৰ্বনাশ হ'ব— সেই কথা ধ্ৰুৱ।

সীতাদেৱী উচুপি থাকিল। তেওঁ ভাবি থাকিল : ৰামচন্দ্ৰৰ কিবা ডাঙৰ বিপদ হোৱা নাই তো! কিন্তু—বিপদ হ'লেওবা তেওঁ কি কৰিব? অকস্মাৎ সীতাদেৱীৰ মনত এটা কথাই উক্ দিলে : মই সপোন দেখা নাই তো? সপোনত বানৰ দেখা পোৱাটো বৰ অমংগলীয়া কথা। কিন্তু—হনুমানৰ কথাখিনি তেওঁ জাগ্ৰত অৱস্থাতে শুনিছে আৰু হনুমানক তেওঁ প্ৰত্যক্ষভাৱেই দেখি আছে। গতিকে —সপোনৰ কথা অমূলক। তেওঁ তৎপৰ ভাবিলে : হনুমানৰ কথা সত্য হওক; যি শুনিছে সত্য হওক, সফল হওক তেওঁৰ মনোবাঞ্ছা। তেওঁ তেওঁৰ মনত ইন্দ্ৰ, বৃহস্পতি, ব্ৰহ্মা আৰু অগ্নিদেৱতাকো সুঁৱৰিলে আৰু তেওঁলোকলৈ প্ৰণাম জনালে।

ইতিমধ্যে হনুমান বৃক্ষশাখাৰপৰা

তদলৈ জঁাপ মাৰি নামি আহিল আৰু সীতাদেৱীৰ সমুখত যোৰ হস্তে দণ্ডায়মান হৈ কৈ থাকিল :

"হে মাতা! তুমিনো কোন? কিয় তুমি অশ্রুপাত কৰিছা? মাতা! তোমাৰ পিতা, ভ্ৰাতা, পতি কোন? হে মাতা, তুমিয়েই যদি সেই ৰাৱণৰজাৰ দ্বাৰা অপহৃতা সীতাদেৱী, তেনেহ'লে মোক কোৱা, তোমাৰ মংগল হ'ব।"

এই কথাৰ উত্তৰত সীতাদেৱীয়ে হনুমানক এই প্ৰকাৰে ক'লে :

"মই—মহাৰাজ দশৰথৰ পুত্ৰবধূ। মই বিদেহৰাজ জনকৰ পুত্ৰী। মোৰ নাম সীতা। শ্ৰীৰামচন্দ্ৰৰ গৃহত মই দ্বাদশ বৎসৰলৈ গৃহসুখ অনুভৱ কৰি আহিছোঁ। ত্ৰয়োদশ বৰ্ষকালত ৰামচন্দ্ৰৰ ৰাজ্যাভিষেকৰ কালত মহাৰাজ দশৰথৰ অন্যতমা পত্নী কৈকেয়ীয়ে ক'লে যে ৰামচন্দ্ৰৰ ৰাজ্যাভিষেক হ'লে তেওঁ অন্নজল পৰিত্যাগ কৰি মৃত্যুবৰণ কৰিব। তেওঁ আৰু ক'লে যে—ৰামচন্দ্ৰক বনবাসলৈ পঠাব লাগে। এসময়ত মহাৰাজ দশৰথে কৈকেয়ীক বৰ দিব খুজিছিল, এতিয়া কৈকেয়ীয়ে মহাৰাজৰপৰা এই বৰ প্ৰাৰ্থনা কৰাত দশৰথ সন্মত হ'বলগীয়া হ'ল। তাৰ পাছত—পিতৃসত্য পালনৰ অৰ্থে ৰামচন্দ্ৰ বনবাসলৈ ওলাবলৈ সাজু হ'ল। মোক তেওঁ কৌশল্যাৰ লগত থাকিবলৈ কৈছিল; কিন্তু মই তেওঁক এৰি থাকিবলৈ টান পাই তেওঁৰ সংগ লৈছিলোঁ। আমাৰ লগত সুমিত্ৰা-পুত্ৰ মোৰ দেৱৰ লক্ষ্মণো দণ্ডকবনলৈ গৈছিল। আমি যেতিয়া দণ্ডকবনত আছিলোঁ হি, তেতিয়াই মহাদুষ্ট ৰাক্ষসৰাজ ৰাৱণে মোক অপহৰণ কৰি ইয়ালৈ লৈ আহিল।"

ইমানলৈকে শুনাৰ অন্তত হনুমানে ক্ৰন্দনৰতা সীতাক যথোচিত ভাবে সান্ত্বনা দিবলৈ ধৰিলে।

আঠুৱা চাই ঠেং

ছিটকুল নামৰ গাঁৱৰ ছগনলাল আছিল মাক-দেউতাক নোহোৱা ভাই-ভাগীও প্ৰায় নথকা এজন যুৱক। ক'ত থাকে কেনেকৈ কি কৰে কি খায় কি পিন্ধে ভাবি ভাবি ভাবি ভাবি — এদিন সি যেতিয়া য'লৈকে ছুচকু যায় ত'লৈকে যাওঁ বুলি ভাবি ওলাওঁ ওলাওঁ—ঠিক তেতিয়াই তাৰ এক দূৰ-সম্পৰ্কীয় মোমায়েকে তাক নিজৰ ঘৰলৈ লৈ গ'ল।

*

মোমায়েক যেনতেন—মামীয়েকৰ সদায় মেন মেন। কোনো কথাতে তুষ্টি নাই, গুষ্টিক ধৰি কিলায়হে কিলায়। মামীয়েকে যেতিয়া ছগনক পালে, তেতিয়া আৰু অযথা-অবাব পলম নকৰি ঘৰুৱা কাম কৰা চাকৰণীজনীক আৰু খেতি-পথাৰত কাম কৰা চাকৰটোক সিদিনাৰেপৰাই কামৰপৰা খেদিলে।

ঘৰৰ আৰু খেতি-পথাৰ কামবোৰ অকলেই কৰি কৰি এদিন ছগনৰ বাঁও-হাতখন নিসাৰ হৈ পৰিল আৰু সি তাৰ এখন হাতেৰেই দহোবন কৰি থাকিবলৈ বাধ্য হ'ল।

*

ছগনৰ মামীয়েক ব্ৰহ্মদেৱী আছিল বিৰাট শকত-আৱত মানুহজনী। সঁচাসঁচি ধুমুৰী। ধুমক'লা ধাহুমী। ঘৰৰ বহল বাৰান্দাত ওলমি থকা দোলনাত বহি ছুলি ছুলি ঘৰৰ সকলোকে বকবককৈ বকনি দিয়ে, নিজৰ বাদে আন সকলোৰে ছিদিৰ ধৰে. আৰু সদা-সৰ্বক্ষণেই চীনাবাদাম চোবায়।

বৰেন বুঢ়াগোহাঞি

ছগনে তাৰ ধুমক'লা ধুমৰী ব্ৰহ্মদেৱী মামীয়েকক মনে মনে ব্ৰহ্মৰাক্ষসী বুলিহে ভাবে।

কিন্তু কৰিবলৈ তাৰ একো নাই।

নিৰুপায় সি।

*

এবাৰ এইখন গাঁৱতেই নহয়—প্ৰায় সকলোতেই চীনাবাদামৰ খেতি নষ্ট হ'ল ছেদভেদ নোহোৱা বৰষুণ দিয়াৰ কাৰণে। চীনাবাদামৰ হাহাকাৰ উঠিল আৰু ছগনৰ মামীয়েকৰো বাথৰ উঠিল।

তেওঁ ছগনক ক'লে, "হেঁা, তই চহৰলৈ যা। গৈ তাৰপৰা এবস্তা বাদাম লৈ আহ। বস্তাটো নিজেই কঢ়িয়াই আনিবি, গাড়ীত উঠাই মিছাৰে পইচা নভৰিবি। এই সাৰেৰো সাৰ কথাটো মনত ৰাখিবিদে—বোজা যাৰ বওন তাৰ, গাড়ীত দিলেই হাহাকাৰ!"

*

চহৰৰপৰা চীনাবাদাম এবস্তা কিনি বস্তাটো মূৰত লৈ—ছগন পুনৰ ছিটকুললৈ বুলি ৰাওণা হ'ল।

বাট চমুৱাবলৈ সি এডৰা অটব্য হাবিৰ কাযেদি গৈ থাকিল। আৰু গৈ গৈ ভাগৰি পৰি এসময়ত সি এজোপা গছৰ তলত কিছুসময়ৰ বাবে জিৰাবলৈ ৰহিল।

*

অলপ সময়ৰ পাছত হাবিৰপৰা এজনী কেটোৰ ক'লী মুখ-চকু শোটোৰা-শোটোৰ জঁাপৰীচুলীয়া ক'লা কাপোৰ পিন্ধা আৰু হাতত বেঁকোৰা-বেঁকুৰী লাঠী-এডাল থকা বুঢ়ী এজনী ওলাই আহিল। বুঢ়ীয়ে ছগনৰ পিনে টঁ টঁকৈ চাই থকাৰ পাছত কেই-খোজমান আগুৱাই গৈ তাক ক'লে, "তুমি কোননো? যিজোপা গছৰ তলত মই জিৰাওঁ—আনকি বাঘেও নিজিৰায়! তুমি দেখিছো বাঘতকৈও সাহিয়াল। বোলোঁ—হেই ছোকৃৰা মোৰ জিৰাবৰ

ঠাইত ৰহিছহি কেলেইনো? ইয়াত বহা যে মানা নাজাননে কি?" বুঢ়ীয়ে তাক ছুইহে নিকিলালে।

ছগনে লাহেকৈ হাঁহি মাৰি ক'লে, "পেহী, মই হ'লোঁ ছগন। মোৰ মামী ব্ৰহ্মদেৱীৰ লগত তোমাৰ দেখিছোঁ—একেবাৰেই একো কথাতেই নিমিলে। একেবাৰেই নিমিলে। কেনে আচৰিত কথা কোৱাচোন!"

শুনি বুঢ়ীয়ে কৈ উঠিল, "কি ক'লা? আচৰিত কথা? মোক দেখাইঁতে মোক দেখি ভয়-পাতুৰাহে হয়, ডৰত পেটত হাত-ভৰি লুকায়। আৰু— তুমিহে বাপা—মোৰ লগত মজাছে মস্কৰা মাৰিছা দেখোন! কি ক'লা? তোমাৰ মামীয়েৰা বম্ভদেৱীৰ লগত মোৰ নিমিলে? কিয় নিমিলে কোৱাচোঁ শুনো? ·কোৱাঁ, কোৱাঁচো—কোৱাঁ।"

ছগনে মূৰ খুজৰাই ক'লে, "মোৰ মামী হ'ল লুধুমী—তুমি হ'লা বাঁহৰ কামী। মোৰ মামীক দেখিলে মনত পৰে সেই যে সেই অসম দেশৰ ধোদৰআলিৰ কথা—আৰু তোমাক দেখিলেই মনত ভাঁহে যাদুকৰী কথা।"

ছগনৰ কথা শুনি বুঢ়ীয়ে সোলা মুখেৰেই এচটা বিচিত্ৰ হাঁহি বিৰিঙাই

হাতৰ বেঁকোৰা-বেঁকুৰি লাঠীডাল শূন্যত ঘুৰাৰমান অফালি, তাৰ পাছত ক'লে, "হাৰে গোবৰগণেশ! তইনো ক'পৰা আহিলি? কথা হওঁতে—একদম ঠাকঠিক কৈছহে। মই সঁচাসঁচি যাদুকৰী! পিছে—তোৰ সউ মৰাপাটৰ বস্তাটোতনো কি আছে ক'চোঁ?"

"চীনাবাদাম।"

ছগনে ক'লে, মোৰ মামীয়ে সাৰে থকা হ'লে, সদা-সৰ্বক্ষণেই ছাগলীৰে দাঁহ চোবোৱাদি চীনাবাদাম চোবায়। আৰু সেইকাৰণেই তেওঁ ইমান লুধুমী আৰু তুমি হ'লা বাঁহৰ কামী।"

“ঠিক আছে, চীনাবাদাম হজম কৰি ময়ো হ’ম ধাতুমী। পিছে—চহৰত যদি পাইছ সস্তা—মোকেই দি থৈ যা এইটো এই বাদামৰ বস্তা।”

“আই—ব্বাপ্‌ছ্‌!”

ছগনে কৈ উঠিল, “পেহী মোৰ, সেইটো নহৈছে। তেতিয়া মোৰ ব্ৰহ্মৰাক্ষসী মামীয়ে মোক মাৰি খাব, মোৰ ছালেৰে ঢোল বনাব। তেওঁ ৰান্ধি খাব খুদকণ, আৰু কি বোলেনে বাদাম চোবাব আঁঢ়ে মোণ!”

“শুনা বাপা, শুনা। বাদামৰ বস্তাটোৰ সলনি মই তোমাক এজনী মুৰ্গী দিম—যিজনীমুৰ্গীয়ে কণী নিদিব—দিব পোনে পোনেই পোৱালি! পোৱালি মানে—বাচ্ছা। পোৱালি দিয়া মুৰ্গী ভূ-ভাৰতত ক’তো আৰু নেপাব, সাচ্চা!”

“কিন্তু—”

“ইন্তু-কিন্তুৰ নাই দৰ্কাৰ, কথা ক’ম পৰিষ্কাৰ। শুন তেনে কওঁ—মুৰ্গী আৰু গাই এজনীকো দিওঁ? এই গাইজনী—দেখাত গাই নিদিয়ে গাখীৰ—দিব কেৱল পানী! কিমান ভাল পায় চাবা—নাচিব বম্বমামী। আৰু ধিন্ তাও তাক ধিন তা বুলি নাচিবা যে তুমি!”

“তথাপি—”

“আকৌ কিহৰ তথাপি? এইদৰে নাথাকিবা উচুপি। যদি ইমানতো নহ’ল—তুমি কোৱাগৈ, ‘ঢেঁৰী, এয়া লোৱা—যাদু মুৰ্গী যাদু গাই আৰু যাদু কাউৰী। শুনা বাপা, এই কাউৰীয়ে কথা কয়, শুনি যেন নোপোৱা ভয়, সকলো কথাৰ চয়-নিচয় যদিহে তাই মাতটি লয়। লৈ যোৱা ইমানবোৰ বস্তু আচৰিত, নকৰিবা কোনো ভয়-ভীত। লৈ যোৱা, মাথোন দিয়া বাদামখিনি ভাই, বাঁহৰ কামী মোৰ এই গাত মঙহ লাগক খাই।”

ছগনে তেতিয়া প্ৰায় বাধ্যত পৰিয়েই বাদামৰ বস্তাটো যাদুকৰী বুঢ়ীক দিলে

আৰু সেই মাত মতা কাউৰীজনীক লগত লৈগাঁৱৰ বাট ল'লে।

*

কাউৰীজনীয়ে ছগনক ক'লে, "তুমি আগে আগে গৈ থকা, মই পিছে পিছে যাম, তুমি হাত চাপৰি বজাই দিলেই মই লগে লগে উৰা মাৰি গৈ গৈ তো মাৰ বাহুত বহিম।"

*

গৈ গৈ ছগনে মুনি-চুনি বেলি গাঁও এখন পালেগৈ।

হঠাৎ ধাৰাসাৰ বৰষুণ নামিল আৰু ছগনে বাধ্যাত পৰি গাঁৱৰ খাজি-খোৱা এখনত আশ্ৰয় ল'বলগা হ'ল।

এই খাজিখোৱাত আগৰেপৰা এজন ডাঙৰ বৈদ্য আছিল। মুৰ্গীজনীয়ে খাজি-খোৱাৰ চোতালত পোৱালি দিয়াত সেই বৈদ্যই তৰধ মানিলে আৰু ছগনক ক'লে, "কাৰনো এই কুকুৰাজনী? বৰ আচৰিত কুকুৰজনী! কুকুৰজনী—তোমাৰ?"

ছগনে মূৰ ছুপিউৱাত বৈদ্যই পুনৰ ক'লে, "কুকুৰাজনী বেচিবা?"

"আচৰিত-আসৰিশ বস্তু কোনেও নেবেচে।"

ছগনে ক'লে।

"ঠিক।"

বৈদ্যই ক'লে, "এটা চুক্তি কৰিলে কোনে দেখা, — মই তোমাৰ



নিসাৰ হৈ থকা বাঁওহাতখন ভাল কৰি দিম. আৰু — তুমি মোৰ মুৰ্গীজনী দিবা ।—হ'ব ?"

ছগন কিঞ্চিত চিন্তাত পৰিল। আৰু তাৰ পাছত এসময়ত — ছগনে বৈদ্যৰ প্ৰস্তাৱত হয় দিলে।

বৈদ্যই ছগনৰ হাতত এবিধ প্ৰলেপ লগাই দিলে আৰু কথাটো আচৰিত ৰাতিটোৰ ভিতৰতে ছগনৰ অকামিলা হৈ পৰা হাতখন একেবাৰে আগৰদৰে ভাল হৈ গ'ল !

তাৰ পাছত —

চুক্তিমতে মুৰ্গীজনী বৈদ্যক দি, গাই, আৰু কাউৰীজনীক লগত লৈ পাছদিনা ছগন পুনৰ তাৰ গাঁওমুৱা হ'ল।

*

ছুপৰীয়াৰ পৰতে ছগনে এক পাহাৰৰ নামনি পালেগৈ ! হঠাৎ ক'ৰবাৰপৰা কেঁকনি-গেঁথনিৰ শব্দ উঠাত ছগনে ইফালে-সিফালে চাই এঠাইত দেহৰ অ'ত ত'ত ক্ষত-বিক্ষত হৈ পৰা মানুহ এজনক দেখা পাই তালৈ আগুৱাই গ'ল।

ক্ষত-বিক্ষত মানুহজনে ছগনক অতি ক্ষীণ মাতেৰে সুধিলে, "মোৰ অণ্ঠ-কণ্ঠ শুকাই গ'ল। তুমি বোপাটি মোক অলপ পানী খুৱাব পাৰিবানে ?"

ছগনে চাৰিওফালে চালে। নৈ জান জুৰি তাত নাই যে নায়েই—এটা ডোবাও ক'তো-কেনিও চকুত পৰা নাই তাৰ কেনেকৈনো পানী খুৱাব এই অসুস্থ-আহত মানুহজনক ?

হঠাৎ ছগনৰ মনত পৰিল গাইজনীৰ কথা ?

আৰু—তৎক্ষণাৎ গাইজনীক খীৰাই পানী আনি সেই আহত মানুহজনক খাবলৈ দিলে।

গাই এজনীৰ ওহাৰৰপৰা গাখীৰৰ সলনি পানী !

চাই মানুহজন ভেবা লাগিল।

মানুহজনে ছগনক ক'লে, "আপুনি মোক জীৱনদান কৰিলে। অনুগ্ৰহ কৰি আমাৰ ঘৰলৈ ব'লক। মই এক লাখমান মুদ্ৰা লগত লৈ ঘৰলৈ যাওঁতে ইয়াত ডকাইতবোৰে মোৰ এই অৱস্থা কৰিলে। যি কি নহওক—আপুনি আমাৰ ঘৰলৈ ব'লক আৰু গাইজনী মোকেই দিয়ক। মই এইজনীক পূজা কৰিম।"

ছগনে এই ধনী মানুহজনৰ ওচৰত গাইজনী বেচিলে আৰু সেই ধনেৰে ৰাছকবনীয়া সাজ-পাৰ আৰু ঘোঁৰা এটা কিনিলে। তাৰ পাছত—বাছকবনীয়া সাজ-পাৰ পিন্ধি, ঘোঁৰাত উঠি ছগনে ৰাজধানীলৈ গৈ থাকোঁতে—বাটত এটি সৰুসুৰা সমদল গৈ থকা দেখা পাই ছগনে তাৰ ঘোঁৰা ৰখাই কথা কি তাৰ উমান ল'বলৈ ধৰিলে। এই সমদল আছিল অসংখ্য সখিয়েক পৰিবৃত হৈ মন্দিৰলৈ গৈ থকা ৰাজকুঁৱৰীৰ সমদল।

ৰাজকুঁৱৰীয়ে জাকজমকীয়া সাজ-পাৰ পিন্ধি ঘোঁৰাত উঠি গৈ থকা ছগনক দেখি মগন হৈ ভাবিলে: এওঁনো কোন? কোনবা দেশৰ ৰাজকোঁৱৰ এওঁ?

ছগন তুকদমমান আগুৱাই গ'ল আৰু সোধোঁ-নোসোধোঁকৈও ৰাজকুঁৱৰীক সুধি পেলালে, "তুমিনো কোন?"

কিন্তু কি ৰাজকুঁৱৰী কি সখিয়েক হঁত—কোনেও ছগনৰ কথাৰ উত্তৰ নিদিয়াকৈ



চিত্ৰাৰ্পিতৰ দৰে থিয় হৈ থকাত ছগনে তালি বজাই দিলে আৰু লগে লগে কাউৰীজনী তাৰ বাহুৰ ওপৰত বহিলহি।

ছগনে কাউৰীজনীক প্ৰশ্নটো সোধাত কাউৰীজনীয়ে কৈ উঠিল, "তুমি তাকো নাজানা? এই ৰূপৱতীজনী হ'ল এই দেশৰ ৰাজকুঁৱৰী ত্ৰিলোকসুন্দৰী!"

"বাঃ! জৱাব নাই!" কাউৰীজনীয়ে কথা কোৱা শুনি ৰাজকুঁৱৰীয়ে বিস্ময়ৰে কৈ উঠিল, "কথা কয় কাউৰীয়ে, এনেকৈ জাউৰিয়ে জাউৰিয়ে! আগে আনকি শুনাও নাই, কিম্বা ক'তো দেখাও নাই!" এই বুলি কৈ ৰাজকুঁৱৰী গুচি গ'ল।

ৰাজকুঁৱৰী ত্ৰিলোকসুন্দৰীৰ বিয়াৰ কথাত মহাৰাজ-মহাৰাণী আগৰেপৰাই চিন্তিত হৈ আছিল। কিয়নো—ৰাজকুঁৱৰীৰ বক্তব্য আছিল যে—কিছু অলৌকিক ক্ষমতাসম্পন্ন কাৰোবাকহে তেওঁ বিয়া কৰাব।

এইবাৰ তেনেকুৱা যুৱক এজনক বিচাৰি পাই মহাৰাজ স্বয়ং আহিল ছগনক আদৰি লৈ যাবলৈ। মহাৰাজে ছগনক যেতিয়া ৰাজকুঁৱৰীক বিয়াৰ প্ৰস্তাৱ দিলে, ছগন অবাক হৈ পৰিল; কিন্তু মুখ-চকুত বিস্ময়ৰ ভাব প্ৰকাশ নকৰিলে।

ৰাজকুঁৱৰীক ছগনে বিয়া কৰালে আৰু সেই কাউৰীজনীয়ে ছগনৰ বিয়াৰ খবৰ ছগনৰ মামীয়েকক দিলেগৈ।

খবৰ পায়েই মামীয়েক মৰোঁ-জীওঁকৈ ৰাজধানীলৈ আহিল আৰু ছগনৰ হাতত ধৰি মামীয়েকে কৈ থাকিল, "তোক—তোক যে মই কিমান কষ্ট দিছিলোঁ বোপা ঐ, বাদামৰ বস্তাটোও……মোক খেমা কৰি দিবি ঐ বোপা মোৰ।…

ছগনে হাঁহি মাৰি মামীয়েকক ক'লে, "বয়সত কিমান ডাঙৰ তুমি, এনে কথা ক'ব নাপায় নহয়? আৰু কষ্ট—কষ্ট কৰা বাবেহে এতিয়া হৃষ্ট হ'ব পাৰিছোঁ বুইছা মামী, আঠুৱা চাইহে ঠেং মেলিব লাগে।"

কাঠ-ঘৈণী

বহুকালৰ আগৰ কথা। তেতিয়াৰ কালত হস্তিনাপুৰত শিৱদত্ত নামৰ এজন ব্ৰাহ্মণ মানুহ আছিল পৰম দয়ালু, কিন্তু তেওঁৰ পৰিয়াৰ আছিল অতি দন্দুৰী আৰু নিমৰমিয়াল। এই পৰিবাৰৰ অত্যাচাৰত অতিষ্ঠ হৈ শিৱদত্তই সংসাৰধৰ্ম এৰি সাধু হৈ গুচি গৈছিল।

শিৱদত্তৰ আছিল তিনিজন পুত্ৰ—ৰণদত্ত, ভগদত্ত আৰু বসুদত্ত। ডাঙৰ ৰণদত্তই যেতিয়া বিয়া কৰালে, তেতিয়া শাহুৱেকৰ মুখৰ কোব সহিব নোৱাৰি ৰণদত্তৰ ঘৈণীয়েক তাইৰ মাকৰ ঘৰলৈ গুচি গ'ল আৰু কাণ টানিলে মূৰটি অহাৰ দৰে তাইৰ পিছে পিছে ৰণদত্তও প্ৰকাৰান্তৰে ঘৰ-জোঁৱাই হ'বলগা হ'ল।

মাজু ভগদত্তয়ো কিছুদিনৰ পাছত এজনী শান্ত-শিষ্ট ছোৱালীক বিয় কৰালে। বিয়াৰ পাছত শান্ত শান্তিজনীয়ে এদিনলৈকো শান্তি নাপালে।

কিন্তু অত্যাচাৰ সহাৰো সীমা আছে। সেই সীমা যেতিয়া পাৰ হ'ল—তেতিয়া এদিন শান্তিজনীয়ে চিপজৰী ল'লে! কিছুদিনৰ পাছত ভগদত্তও ঢুকাল।

এইবাৰ বসুদত্তই সকলো কথা মুঠিমাঠি চাই ভাবিলে : মা-ৰ মুখৰ আগৰ কোনো এজনীও তো তিষ্ঠিব নোৱাৰে। গতিকে—বিয়া কৰাই লাভ?

ভাবি ভাবি উপায় এটা উলিয়াই বসুদত্তই এদিন কাঠৰ যুৱতী-মূৰ্তি এটা তৈয়াৰ কৰালে আৰু সেই মূৰ্তিটো আগতেই ভাড়ালৈ লোৱা চুবুৰিৰে ঘৰ এটাত থৈ দিলে। তাৰ পাছত বসুদত্তই

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

তাৰ মাকক ক'লেগৈ, "মা, মই এজনীক মই এজনীক বিয়া কৰাই আনিলোঁ। কিন্তু ইয়ালৈ আহিলে কাজিয়া পেচাল হ'ব—সেইহে তাইক ইয়াতে আন এটা ঘৰ ভাড়ালৈ লৈ তাতে ৰাখিলোঁ তাইক।"

কি আৰু ক'ব মাকে? এটা ল'ৰা ঘৰ এৰি ঘৰ-জোঁৱাই হ'ল, আন এটা মৰিল। গতিকে—এই কিল খাই কিল হজম কৰাৰ বাদে উপায়ো নোলাল।

কিন্তু—এদিন হঠাৎ বসুদত্তৰ মাকে চিঞৰি চিঞৰি কান্দিবলৈ ধৰাত চুবুৰিৰ জীয়াৰী-বোৱাৰী-গৃহিণীহঁত দৌৰি আহিল।

তেওঁ যে নিজে নিজেই থোৱা এটাৰে নিজৰ মূৰত মাৰি তেজ উলিয়াব—কোনেনো ভাবিব পাৰে? গতিকে—চুবুৰীয়াই ইস্-আস্ কৰি তেওঁক সান্ত্বনা দি কি হ'ল কেনেকৈ হ'ল বুলি সোধাত তেওঁ ক'লে যে—সৰু বোৱাৰীয়ে তেওঁক থোৰা এটাৰে তেনেকৈ মৰিয়াই বেগতে গুলাই গুচি গৈছে।

ইতিমধ্যে — বসুদত্তও তাত আহি পাইছিলহি। বসুদত্তই চুবুৰীয়া জীয়াৰী-বোৱাৰী-গৃহিণীহঁতক সি ভাড়ালৈ লোৱা ঘৰটোলৈ লৈ গ'ল আৰু কাঠৰ যুৱতী মূৰ্তিলৈ আঙুলিয়াই ক'লে, "এইজনীয়েই হ'ল মোৰপ ৰিবাৰ! এই কাঠৰ যুৱতী-মূৰ্তিয়েই মা-ক থোৰাৰে মৰিয়ালেগৈ!"

সকলোটিয়েই লাজ পাই ঘৰাঘৰি গুচি গ'ল।

লাজ—শুনাত আচৰিত যেন লাগিলেও—বসুদত্তৰ মাকেও পালে, আৰু এই ঘটনাৰ পাছৰপৰা তেওঁ তেওঁৰ কাজিয়াখোৰীৰ অভ্যাস এৰি পেলালে।

পাছত বসুদত্তই প্ৰকৃততেই বিয়া কৰাইছিল, আৰু তাৰ মাকেও জুই জ্বাল পানী ঢাল নকৰাকৈয়েই, জাজ্‌না নিদিয়াকৈয়েই বোৱাৰী বাই সুখে-শান্তিৰে জীৱন যাপন কৰিব পাৰিছিল।

পানীৰ তলৰ দৌৰবীৰ !
জলহস্তীয়ে নৈৰ তলত দ্ৰুতগতিৰে দৌৰিব পাৰে। ই দহ মিনিটলৈকে পানীৰ তলত থাকিব পাৰে !


আটাইতকৈ দীৰ্ঘকায় পক্ষী
টেৰোজাৰ কুয়েজালকোটলাজ নৰথ্ৰ'পি হ'ল ৫০ লাখ বছৰৰ আগৰ দীৰ্ঘকায় পক্ষী। ১৯৭৪ চনত টেক্সাছত এই পক্ষীৰ অস্তিত্ব আৱিষ্কৃত হৈছে। এই পক্ষীৰ ডেউকা আছিল প্ৰায় ৫০ ফুট আৰু ইয়াৰ ওজন আছিল প্ৰায় ১৯০ পাউণ্ড (৮৬ কিল'গ্ৰাম) !

বিষাক্ত স্তন্যপায়ী প্ৰাণী !
হাহঠুঁটীয়া প্লাটিপাছ নামৰ জগতৰ একমাত্ৰ স্তন্যপায়ী বিষাক্ত প্ৰাণী অষ্ট্ৰেলিয়াত পৰিলক্ষিত হয়।

TALLEST
1. What was the height of the tallest man in the world?
2. Move three buttons and make the triangle face the other way.
3. What is the distance between the Earth and the Moon?
4. Name the family of Angles.
FREE GIFT for the first 1000 all correct answers.
OMEGA
S·O·N·Y
OMEGA
Sony
MATHEMATICAL DRAWING INSTRUMENTS
ART NO 1635
OMEGA
Hurry, your answers must reach us before 31st August, 1991.
OMEGA
GEOMETRY MADE FUN
Please attach this advertisement with your answers and mail them to:
Allied Instruments Pvt. Ltd. 30 CD, Govt. Industrial Estate, Kandivli (W), Bombay 400 067.
3 Brothers/OS/2691

ফ'টো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯১ চনৰ অকট'বাৰ সংখ্যাত প্ৰকাশিত হ'ব

G. Srinivasamurthy

J. Sarojini

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯১ চনৰ অগাস্ট মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯১ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : বান্ধনি বেলি দ্বিতীয় ফটো : পাৰ হয় খেলি

মৈত্ৰেয়ী গোস্বামী, বেলতলা, গুৱাহাটী-২৮

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 93.00 ● উৰাজাহাজ-যোগে 168.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 99.00 ● উৰাজাহাজ-যোগে 168.00

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

Cuddles always say "I love you."

Show your little ones how much you love them! And is there a better way of doing that than giving them a huggable, cuddlable playmate?

Cuddles. From the people who have given children the delightful entertainer of a magazine, Chandamama. Cuddles. A whole new range of stuffed toys. And, your old favourites. And, cute surprises being introduced regularly. Each one a sweet, adorable companion to your child. Absolutely safe. Designed to withstand childhandling.

Well, the fun and excitement of the festive season is just round the corner. Make it memorable for your child with a special gesture. With a Cuddle.



- CUDDLES — Stuffed toys from Chandamama.
- SAMMO — Mechanical and electronic toys from Chandamama

CUDDLES

Manufactured in technical collaboration with Sammo Corporation, South Korea

CHANDAMAMA TOYTRONIX

Chandamama Toytronix Private Limited, Chandamama Buildings, Vadapalani, Madras - 600 026

from

THE HOUSE OF

CHANDAMAMA

Mudra M CTPL 4274

CUDDLES AND SAMMO TOYS WILL BE AVAILABLE AT ALL LEADING TOY OUTLETS EXCEPT IN THE STATES OF ASSAM, HIMACHAL PRADESH, MADHYA PRADESH AND NORTH EASTERN STATES

FREE!
BUNNY TEETH
INSIDE EVERY 100 GMS
POUCH OF COOKIES
মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ল'লেই
মনটি নাচে
nutrine
COOKIES
ল'ৰা-ছোৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/9090/Ass